**বন্দে ভাৰত লাগে এপিডব্লিউক**

ই-সংবাদ, ২২ নৱেম্বৰঃ অসম পাব্লিক ৱাৰ্কছ চমুকৈ এপিডব্লিউ-এ কেন্দ্ৰীয় ৰে'লমন্ত্ৰী ৮ পৃষ্ঠাত চাওক



www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, NOVEMBER 23, 2024 ■ শনিবাৰ, ৭ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩২০ Guwahati, Assam ।। মূল্যঃ এটকা


## ১৬টাকৈ গুলী বুকুত লৈয়ো ছবি আঁকি যোৱা চিত্ৰশিল্পী মনেশ্বৰ ব্ৰহ্ম গ'লগৈ

### শিল্পীসমাজত শোকৰ ছাঁ



ই-সংবাদ, কোকৰাঝাৰ, ২২ নৱেম্বৰঃ বড়ো সংস্কৃতিৰ একনিষ্ঠ সাধক, গৱেষক, শংকৰদেৱৰ কলাক্ষেত্ৰৰ ২ পৃষ্ঠাত

## এয়া অপূৰণীয় ক্ষতি

■ ডঃ জনক ঝংকাৰ নাৰ্জাৰী

আজি পুৱা মনেশ্বৰ ব্ৰহ্মৰ মৃত্যুৰ খবৰটো পাই হতবাক হৈছো আৰু অত্যন্ত দুখ পাইছো। মনেশ্বৰ ব্ৰহ্মই শান্তি নিকেতনৰ কলা শেষাংশ ৫ পৃষ্ঠাত

### আকৌ গোচৰ বিজেপি নেতাৰ

## বিনোদক লাগে ৰাহুলৰ ১০০ কোটি

মুম্বাই, ২২ নৱেম্বৰঃ কংগ্ৰেছ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে আৰু মুখপাত্ৰ সুপ্ৰিয়া শ্ৰীনেটৰ শেষাংশ ৪ পৃষ্ঠাত

## মালিকৰ প্ৰহাৰত শ্ৰমিকৰ কৰুণ মৃত্যু

ই-সংবাদ, দলগাওঁ, ২২ নৱেম্বৰঃ দৰঙৰ ধূলা থানাৰ অন্তৰ্গত শ্যামটিলাত সংঘটিত হৈছে এক হত্যাকাণ্ডৰ ঘটনা। পশ্চিম শেষাংশ ২ পৃষ্ঠাত

### সংবাদমেলত মুখ্য নিৰাপত্তা উপদেষ্টা কুলদীপ সিঙৰ তথ্য

# ডেৰ বছৰত হিংসাত মণিপুৰত ২৫৮ জনৰ মৃত্যু

### ■ পুনৰ ১০ হাজাৰ অতিৰিক্ত নিৰাপত্তাৰক্ষী প্ৰেৰণ

ইম্ফল, ২২ নৱেম্বৰঃ গোষ্ঠীগত সংঘৰ্ষই চৰম ৰূপ ধাৰণ কৰা মণিপুৰৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে পুনৰ ১০ হাজাৰ নিৰাপত্তাৰক্ষী প্ৰেৰণ কৰিব কেন্দ্ৰীয় চৰকাৰে। শুকুৰবাৰে এক সংবাদমেলত এই তথ্য সদৰী কৰিছে ৰাজ্যখনৰ মুখ্য নিৰাপত্তা শেষাংশ ৩ পৃষ্ঠাত



### ঋণন্ত বিশ্ব চুৰমাৰ

## নতুন নাম দিলে অখিলে

ই-সংবাদ, ২২ নৱেম্বৰঃ কথা মতেই ঠাইৰ নাম সলাই ভালপোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক নতুন শেষাংশ ৫ পৃষ্ঠাত

### অসমৰ ৫ সমষ্টিয়েও পাব নতুন বিধায়ক

## আজি ওলাব মহাৰাষ্ট্ৰ, ঝাৰখণ্ডৰ নিৰ্বাচনৰ ফলাফল



নতুন দিল্লী, ২২ নৱেম্বৰঃ আৰু মাত্ৰ কিছু সময়। তাৰ পিছতে ভাগ্য নিৰ্ণয় হ'ব দুখন গুৰুত্বপূৰ্ণ ৰাজ্যৰ আগন্তুক পাঁচ বছৰীয়া ভৱিষ্যতৰ। লগতে ভাগ্য শেষাংশ ৪ পৃষ্ঠাত

## বঙাইগাঁৱত দুৰ্ঘটনাত নিহত পিতৃ-কন্যা

ই-সংবাদ, ২২ নৱেম্বৰঃ ৰাজ্যখনৰ প্ৰায়সমূহ ঘাইপথ, মুখ্য ৰাজ্যিক পথসমূহ জৰাজীৰ্ণ শেষাংশ ৮ পৃষ্ঠাত

### জয়ন্তমল্লক প্ৰত্যুত্তৰ গৌৰৱ গগৈৰ

## 'পগলা কুকুৰো নহয়, মই কাগজৰ বাঘো নহয়'

ই-সংবাদ, ২২ নৱেম্বৰঃ অসমৰ ৫ সমষ্টিৰ ভোটগণনাৰ কেইটামান ঘণ্টা পূৰ্বে গুৱাহাটীত সাংবাদিকৰ মুখামুখি হৈ যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে শেষাংশ ৪ পৃষ্ঠাত



### কুকুৰ হত্যা, বাঘক নিৰ্যাতন

## জীৱ-জন্তুৰ ৯ শত্ৰুক গ্ৰেপ্তাৰ

ই-সংবাদ, ২২ নৱেম্বৰঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা ঢেঁকীয়াপতীয়া এটাক খেদি ফুৰাৰ সময়তে নৈত পৰাত একাংশ লোকে নিধন কৰাৰ লক্ষ্যৰে প্ৰকাশ প্ৰকাণ্ড শিলগুটি নিক্ষেপ শেষাংশ ৫ পৃষ্ঠাত

## নগাঁৱত লোমহৰ্ষক ঘটনা, ৪ জনক হত্যা

### ৰভাতলিত তেজৰ নৈ!


ই-সংবাদ, ২২ নৱেম্বৰঃ ৰাজ্যখনৰ সাধাৰণ লোকৰ জীৱন-সম্পত্তিৰ নিৰাপত্তা আছে নে? চৌদিশে সংঘটিত হৈ অহা কিছু ঘটনাক লৈ এই প্ৰশ্ন বাৰে বাৰে শেষাংশ ৩ পৃষ্ঠাত

### জন্মদিন উপলক্ষে শিৱসাগৰত আজি বিশেষ অনুষ্ঠান

## ৯২ বছৰীয়া হ'ল কথাশিল্পী ইমৰাণ শ্বাহ

■ প্ৰদীপ গগৈ

"নতুন প্ৰজন্ম সচেতনভাৱে আগবাঢ়ি গ'লে ভাল। নতুন প্ৰজন্ম কঠোৰ পৰিশ্ৰমী হ'ব লাগিব। মানুহৰ জীৱনটো পৰিশ্ৰমৰ বাবেই।



**"মানৱ জীৱনত পৰিশ্ৰমৰ কোনো বিকল্প নাই, পৰিশ্ৰমেই হৈছে উন্নতিৰ মূল"**

পৰিশ্ৰমৰ বিকল্প নাই। অন্যথা জীৱন অথলে যাব। আনুষ্ঠানিক শিক্ষাই হওক বা আন কৰ্মই হওক পৰিশ্ৰম কৰিব লাগিব। সাহিত্যৰ শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৬টাকৈ গুলী বুকুত লৈয়ো ছবি

কলা বিষয়া, বিশিষ্ট চিত্ৰশিল্পী তথা ললিত কলা একাডেমী বঁটা প্ৰাপক মনেশ্বৰ ব্ৰহ্ম আৰু নাই। শুকুৰবাৰে পুৱা গুৱাহাটীৰ জিএনআৰচি হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে বিশিষ্ট শিল্পীগৰাকীয়ে। মৃত্যুৰ সময়ত শিল্পী ব্ৰহ্মৰ বয়স আছিল ৫৭ বছৰ। পৰিয়ালৰ সূত্ৰৰ পৰা জানিব পৰা মতে, হৃদজনিত ৰোগত আক্ৰান্ত হোৱাত ততাতৈয়াকৈ ব্ৰহ্মক দিশপুৰস্থিত জিএনআৰচিৰ আইচিইউত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাতে তেওঁ উভতি নহা দেশলৈ গমন কৰে। চিৰাং জিলাৰ বল্লামগুৰি হেলিপাৰা সুবাইঝাৰত ১৯৬৭ চনৰ ৮ ডিচেম্বৰত জন্মগ্ৰহণ কৰা মনেশ্বৰ ব্ৰহ্ম কোকৰাঝাৰ চাৰুকলা মহাবিদ্যালয়ৰ ছাত্ৰ আছিল। পিছত ১৯৯৭ চনত তেওঁ বিশ্ব ভাৰতী শান্তি নিকেতনৰ পৰা বিএফএ আৰু ১৯৯৯ চনত এমএফএ ডিগ্ৰী লাভ কৰিছিল। বড়ো আন্দোলনৰ ভৰপক সময়ছোৱাত তেওঁ কোকৰাঝাৰত ভাড়াঘৰত আছিল আৰু এদিন কোকৰাঝাৰ কলেজৰ পিছফালে থকা এফচিআই গুদামৰ ওচৰত অচিনাক্ত দুষ্কৃতিকাৰীয়ে গুলীৰে থকা-সৰকা কৰিছিল মনেশ্বৰ ব্ৰহ্মক। সেইসময়ত ১৬টাকৈ গুলী লগা মনেশ্বৰ ব্ৰহ্মৰ মৃত্যুৰ বাতৰি আনকি সংবাদমাধ্যমত প্ৰকাশিত হৈছিল যদিও তেওঁ তেতিয়া মৃত্যুকো জিনিবলৈ সমৰ্থ হৈছিল। মৃত্যুৰ দুৱাৰডলিৰ পৰা উভতি অহা মনেশ্বৰ ব্ৰহ্মই পৰৱৰ্তী কালছোৱাত কলা-সংস্কৃতিক লৈ ব্যস্ত হৈ পৰে। জীৱিত কালত মনেশ্বৰ ব্ৰহ্মই অজস্ৰ বঁটা-বাহন লাভ কৰাৰ উপৰিও বহুসংখ্যক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ছেমিনাৰত অংশগ্ৰহণ কৰিছিল। তদুপৰি বহুসংখ্যক প্ৰদৰ্শনীত ভাগ লোৱা মনেশ্বৰ ব্ৰহ্মই কেবাটাও জলপানি লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৯৫ চনত ভুৱনেশ্বৰত অনুষ্ঠিত হোৱা প্ৰথম পূৱ প্ৰান্তীয় দ্বিবাৰ্ষিক প্ৰদৰ্শনী, ১৯৯৬ চনত চণ্ডীগড়ত অনুষ্ঠিত হোৱা তৃতীয় ভাৰত ড্ৰয়িং দ্বিবাৰ্ষিক প্ৰদৰ্শনী, ১৯৯৬ চনত দিল্লীত, ১৯৯৭ চনত ভূপালত, ১৯৯৭, ১৯৯৮ আৰু ১৯৯৯ চনত অমৃতসৰত, ১৯৯৮ চনত কলকাতাত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰদৰ্শনীত ভাগ লৈছিল মনেশ্বৰব্ৰহ্মই। ১৯৯৩ চনৰ পৰা তেওঁ ১৯৯৬ চনলৈ অসম চৰকাৰৰ জলপানি, ১৯৯৮ চনৰ পৰা ২০০০ চনলৈ ভাৰত চৰকাৰৰ জলপানি লাভ কৰিছিল। আনহাতে, ১৯৯৯ চনত কৰ্ণাটক চিত্ৰকলা পৰিষদ ট্ৰাষ্টৰ দ্বাৰা এইচ কে কেজৰিৱাল যুৱ শিল্পী বঁটা, ২০০০ চনত বিৰলা একাডেমী বঁটা, ২০০২ চনত সৰ্বভাৰতীয় ফাইন আৰ্ট এণ্ড ক্ৰাফ্ট বঁটা, ২০০৪ চনত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত হোৱা প্ৰথম উত্তৰ পূৱ ৰাজ্যিক বঁটা আৰু ২০০৬ চনত মুম্বাইত অনুষ্ঠিত হোৱা ললিত কলা একাদেমীৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি ওদালগুৰি, গুৱাহাটী আৰু ভাৰত-ভুটান-বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলতো কেবাখনো ৰাষ্ট্ৰীয় আলোচনাচক্ৰ অনুষ্ঠিত কৰিছিল মনেশ্বৰ ব্ৰহ্মই।প্ৰণিধানযোগ্য যে বৃহস্পতিবাৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুকলি কৰা অসম বিধানসভা চৌহদত আন্তঃগাঁথনিত নব্য সংযোজন প্ৰকল্প ৰূপায়ণৰো অন্যতম খনিকৰ আছিল মনেশ্বৰ ব্ৰহ্ম। আজি পুৱা মনেশ্বৰ ব্ৰহ্মৰ বিয়োগৰ বাতৰি পোৱাৰ লগে লগে সমগ্ৰ ৰাজ্যতে শোকৰ ছাঁ পৰে। চিত্ৰশিল্পী ব্ৰহ্মৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰা, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, এবছুৰ সভাপতি দ্বীপেন বড়ো, বিধায়ক লৰেঞ্চ ইছলাৰী, সদৌ অসম ট্ৰাইবেল ছাত্ৰ সন্থাৰ সভাপতি হৰিশ্বৰ ব্ৰহ্ম আদিকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তিয়ে। পৃথক পৃথক বাৰ্তাত মনেশ্বৰ ব্ৰহ্মৰ মৃত্যু সমাজৰ বাবে অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰিছে ভিন্নজনে। তদুপৰি প্ৰখ্যাত শিল্পী ড০ জনক ঝংকাৰ নাৰ্জাৰীয়ে তেওঁৰ প্ৰাক্তন ছাত্ৰ মনেশ্বৰ ব্ৰহ্মৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। ইফালে, আজি বিয়লিৰ ভাগত শিল্পীগৰাকীৰ নশ্বৰ দেহ বল্লামগুৰিৰ জন্মগৃহ আহি পোৱাৰ পিছতে বিভিন্ন দল-সংগঠনে শেষশ্ৰদ্ধা জ্ঞাপন কৰে। কাইলৈ ইয়াতে দিনৰ ভাগত প্ৰয়াত শিল্পীগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হ'ব বুলি জানিব পৰা গৈছে।

**মনেশ্বৰ ব্ৰহ্মৰ বিয়োগত মহানগৰীৰ ভিন্ন দল-সংগঠনৰ শোক প্ৰকাশ**

**গুৱাহাটী, ২২ নৱেম্বৰঃ** অসমৰ এগৰাকী নতুন প্ৰজন্মৰ বিশিষ্ট চিত্ৰশিল্পী, ললিত কলা একাডেমী বঁটাপ্ৰাপক মনেশ্বৰ ব্ৰহ্মৰ আকস্মিক বিয়োগত ৰাজ্যৰ ভিন-ভিন দল-সংগঠনে একেমুখে গভীৰ শোক প্ৰকাশ কৰে। এক শোক বাৰ্তাত বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মাই কয়- "আমি হেৰুৱালো এজন উজ্জ্বল নক্ষত্ৰ স্বৰূপ চিত্ৰশিল্পী। স'ততে তেওঁ মানুহৰ মন জয় কৰিছিল।" বড়ো সংস্কৃতিৰ গৱেষক তথা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ললিত কলা বিভাগৰ ভাৰপ্ৰাপ্ত তত্ত্বাৱধায়াক মনেশ্বৰ ব্ৰহ্মৰ বিয়োগত অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, অসম সাহিত্য সভাৰ প্ৰাক্তন কোষাধ্যক্ষ কিশোৰ কুমাৰ জৈন, প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ সভাপতি ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ সভাপতি নিশুতি মজুমদাৰ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কামৰূপ জিলা সমিতিৰ মুখ্য আহ্বায়ক মদন দাস, পৰাগজ্যোতি প্ৰকাশন, অসম শিশু সাহিত্য সমাজ, স্বেচ্ছাসেৱী সংগঠন "ৰং", বিশিষ্ট গীতিকাৰ-সুৰকাৰ ডিজেন কাকতি, যুৱ চিত্ৰ শিল্পী জুনমণি দাস আদি দল-সংগঠনে শোক প্ৰকাশ কৰাৰ লগতে বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এয়া অপূৰণীয় ক্ষতি

ভৱনৰ গ্ৰাফিক আৰ্ট বিভাগৰ পৰা বিএফএ আৰু এমএফএ ডিগ্ৰী লাভ কৰাৰ পিছত নিজৰ সৃষ্টিশীল জীৱনৰ পথত আগবাঢ়ি গৈছিল। অতি কম সময়ৰ ভিতৰতে ব্ৰহ্মই নিজকে দেশৰ এজন স্বনামধন্য শিল্পী হিচাপে প্ৰতিস্থা কৰিবলৈ সমৰ্থ হয়। মনেশ্বৰ ব্ৰহ্মৰ সৈতে মোৰ শিক্ষক আৰু ছাত্ৰৰ গভীৰ ভালপোৱা আৰু সন্মানৰ সম্পৰ্ক আছিল। দেশত ললিত কলা জাতীয় আৰু অন্য বহু পুৰস্কাৰ প্ৰাপক মনেশ্বৰ ব্ৰহ্ম গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত শিল্প বিষয়া হিচাপে কৰ্মৰত আছিল। কৰ্মক্ষেত্ৰতো তেওঁ আছিল সুনিপুণ। মনেশ্বৰ ব্ৰহ্মৰ মৃত্যু ভাৰতবৰ্ষৰ শিল্পৰ ক্ষেত্ৰখনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি মই ভাবো। ঈশ্বৰৰ ওচৰত মনেশ্বৰৰ বিদেহ আত্মাৰ শান্তিৰ কাৰণে প্ৰাৰ্থনা কৰিছো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মালিকৰ প্ৰহাৰত শ্ৰমিকৰ কৰুণ

পদুখাটৰ বিবিআই ইটা ভাটাত সংঘটিত হয় এই জঘন্য ঘটনা। জানিব পৰা মতে বৰপেটা জিলাৰ কলগাছিয়াৰ আবু বক্কৰ নামৰ ব্যক্তিজন সপৰিয়ালে কৰ্মৰত হৈ আছিল উক্ত ইটা ভাটাত। আজি ৰাতিপুৱা মজুৰি লৈ মালিকৰ মাজত হোৱা বাক বিতৰ্কই ভয়ানক ৰূপ লয় আৰু মালিকজনৰ প্ৰহাৰত শ্ৰমিক আবু বক্কৰ গুৰুতৰ ভাৱে আহত হৈ মৃত্যু বৰণ কৰে। ঘটনাৰ খবৰ পাই ঘটনাস্থলিত ধূলা আৰক্ষী উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। এই জঘন্য কাণ্ড সংঘটিত কৰা দোষীক কৰায়ত্ব কৰি উচিত শাস্তি প্ৰদানৰ কৰাৰ লগতে মৃত্যু হোৱা পৰিয়ালৰ লোকক ২০ লাখ টকাৰ আৰ্থিক অনুদান দিবলৈ দাবী জনাই নেমছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক জিয়াউল হকে। ঘটনাটোক তেওঁ তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। ঘটনাটোক লৈ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৯২ বছৰীয়া হ'ল কথাশিল্পী ইমৰাণ শ্বাহ

সাহিত্যৰ লগত জড়িত হ'ব বিচৰাসকলো পৰিশ্ৰমী হ'ব লাগিব, সাধনা কৰিব লাগিব। বহুতেই পৰিশ্ৰম কৰিব নিবিচাৰে, পৰিশ্ৰম বিমুখ হ'ব বিচাৰে, এই ক্ষেত্ৰত সাৱধান হ'ব লাগিব। আজাকালি অসমীয়া জাতি কঠোৰ পৰিশ্ৰমী নহয় বুলি শুনা যায়, এই ধাৰণা সলনি কৰিব লাগিব কৰ্মৰে।''-৯২ সংখ্যক ওপজা দিনৰ প্ৰাকক্ষণত এই মন্তব্য কৰিছে বিশিষ্ট কথাশিল্পী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, পদ্মশ্ৰী ইমৰান শ্বাহে। ১৯৩৩ চনৰ ২৩ নৱেম্বৰত শিৱসাগৰৰ ধাই আলিত জন্মগ্ৰহণ কৰা বৰেণ্য সাহিত্যিকগৰাকীয়ে লগতে নিজৰ মাতৃভাষা, জাতিৰ প্ৰতি সকলোকে সচেতন হোৱাৰ আহ্বান জনাইছে। "এতিয়া গ্ল'বেলাইজেশ্যনৰ যোগ। পৃথিৱীৰ পৰা বহু ভাষা হেৰাই গৈছে। সৰু সৰু বহু জাতি সংকটৰ গৰাহত পৰিছে। অসমীয়াই সময় থাকোতেই এই ক্ষেত্ৰত সচেতন হ'ব লাগিব।"-কথাশিল্পীগৰাকীয়ে কয়। ইয়াৰ উপৰিও শেহতীয়াকৈ অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰাটো অসমীয়া জাতিৰ বাবে ভাল খবৰ যদিও অসমীয়া ভাষাৰ চৰ্চা, অসমীয়া ভাষাৰ ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি নহ'লে তেনে স্বীকৃতি অথলে যাব বুলি মন্তব্য কৰিছে বিশিষ্ট কথাশিল্পীগৰাকীয়ে। অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান হিচাপে গণ্য কৰা অসম সাহিত্য সভাৰ সভাপতি পদক লৈ শেহতীয়াকৈ সৃষ্টি হোৱা অনাকাংক্ষিত বিতৰ্ক সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ইমৰান শ্বাহে। তেওঁ কয়, "২০১৬ চনৰ পৰা অসম সাহিত্য সভাৰ ভিতৰচ'ৰা সন্দৰ্ভত মোৰ বিশেষ ধাৰণা নাই কি হৈ আছে। এতিয়া যিবিলাক বিতৰ্ক শুনি আছো, সেইবিলাক ভাল কথা নহয়। তাৰ বাবে দায়ী কোন বিচাৰ কৰিব লাগে। অসমৰ ৰাইজে বিচাৰ কৰিব লাগে। অসম সাহিত্য সভা অসমীয়া জাতিৰ গৌৰৱৰ থল বুলি ক'লেই নহ'ব, কেৱল সভাপতি নিৰ্বাচনৰ সময়ত সাৰ পালেই নহ'ব। বাকী সময়ছোৱাতো সচেতন হ'ব লাগিব। যিসকল অনুজে সাহিত্য সভাত ভুল দেখিছে, তেওঁলোকো আগবাঢ়ি আহিব লাগিব শুধৰাবলৈ, সাহিত্য সভাৰ লগত জড়িত হৈ কাম কৰিব লাগে। নিজৰ অনুষ্ঠানত কাম কৰিবলৈ মাতিব নালাগে, নিজেই আগবাঢ়ি যাব লাগে।" 'বনবাসী'ৰ পৰা 'লিহিৰীবন'লৈ এক দীঘলীয়া সাহিত্য সৃষ্টিৰে অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰা কথাশিল্পী গৰাকীয়ে নতুন ৰচনাত নিমগ্ন নহ'লেও এই বয়সতো নতুনৰ সৃষ্টি পঢ়ে, নীৰিক্ষণ কৰে। পুৱা শুই উঠিয়েই এতিয়াও বাতৰি কাকত পঢ়ি সমাজ জীৱনৰ ঘটনা প্ৰবাহৰ গম লয়। সোৱাদ লয় ন-পুৰণি লেখক-লেখিকাৰ সৃষ্টিৰ। মুখত সততে বিয়পি থকা মিচিকিয়া হাঁহি, পিন্ধনত বগা পাইজামা-বনিয়ন, হাতত কোৰ-খন্তি লৈ চিৰতৰুণৰ দৰেই আজিও ব্যস্ত হৈ পৰে বাৰীৰ ফুলনিত। আনহাতে, বিগত বছৰসমূহৰ দৰে এইবাৰো স্বনামধন্য অসম উপত্যকা সাহিত্য বঁটা বিজয়ী সাহিত্যিকগৰাকীৰ ৯২ সংখ্যক ওপজা দিন উদযাপনৰ ব্যৱস্থা কৰিছে শিৱসাগৰ জিলা সাহিত্য সভাই। এই অনুযায়ী কাইলৈ দিনৰ ১-৩০ বজাৰ পৰা সাহিত্যিকগৰাকীৰ ধাই আলিস্থিত বাসগৃহৰ চৌহদত উদযাপন কৰিব জন্মদিন। জিলা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত কৰিবলগীয়া এই অনুষ্ঠানতে 'ইমৰান শ্বাহৰ ৰচনাৱলীঃ ৩' (তৃতীয় ভাগ) উন্মোচন কৰিব তেওঁৰ বাল্যবন্ধু ড° দেৱেন গগৈয়ে। উল্লেখ্য যে, নৱম শ্ৰেণীত পঢ়ি থাকোঁতেই 'বনবাসী'ৰ দৰে গ্ৰন্থ ৰচনা কৰা ইমৰান শ্বাহে ৮খন গল্প সংকলন, ১০খন উপন্যাস, ২খন প্ৰবন্ধ সংকলন, এখন আত্মজীৱনী, এখন গীতৰ সংকলন, ৩খন অনুবাদ গল্প সংকলন, ঈশান দত্ত ছদ্মনামেৰে কবিতা আৰু একাধিক ৰচনা লিখি অসমীয়া ভাষা-সাহিত্যৰ ভৰাল চহকী কৰিছে। আমিও পদ্মশ্ৰী বঁটাৰে সন্মানিত এইগৰাকী প্ৰসিদ্ধ সাহিত্যিকক ৯২ সংখ্যক ওপজা দিনৰ ওলগ জনোৱাৰ লগতে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছো।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ডেৰ বছৰত হিংসাত মণিপুৰত ২৫৮ জনৰ

উপদেষ্টা কুলদীপ সিঙে। নতুনকৈ দহ হাজাৰ নিৰাপত্তাৰক্ষী প্ৰেৰণ কৰাৰ পিছতে ৰাজ্যখনত কেন্দ্ৰীয় বাহিনীৰ মুঠ কোম্পানীৰ সংখ্যা ২৮৮টালৈ বৃদ্ধি পাব। শুকুৰবাৰে এক সংবাদমেলত নিৰাপত্তা উপদেষ্টা সিঙে কয় যে অতিৰিক্ত ৯০টা কোম্পানী অৰ্থাৎ প্ৰায় ১০,৮০০ জোৱান ইতিমধ্যে ৰাজ্যখনত উপস্থিত হৈছে। সংঘাতপ্ৰৱণ এলেকাত বাহিনী মোতায়েন কৰি মানুহৰ জীৱন আৰু সা-সম্পত্তিৰ সুৰক্ষা আৰু দুৰ্বল এলেকাসমূহ নিৰীক্ষণ কৰা হৈছে। ইফালে যোৱা ডেৰ বছৰত অৰ্থাৎ ২০২৩ চনৰ মে' মাহৰ পৰা আৰম্ভ হোৱা জাতিগত সংঘাতত ৰাজ্যখনত এতিয়ালৈকে ২৫৮ জন লোকৰ মৃত্যু হৈছে বুলিও তেওঁ কয়। সংঘাত আৰম্ভ হোৱাৰ পৰাই আৰক্ষীৰ অস্ত্ৰভাণ্ডাৰৰ পৰা লুট কৰা প্ৰায় ৩ হাজাৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হৈছে বুলি নিৰাপত্তা উপদেষ্টাগৰাকীয়ে জানিবলৈ দিয়ে। সিঙে লগতে কয় যে ৰাজ্যখনত শান্তি প্ৰতিষ্ঠাৰ বাবে আৰক্ষী, চিআৰপিএফ, বিএছএফ, সেনা, অসম ৰাইফলছ, আইটিবিপি আৰু সশস্ত্ৰ সীমান্ত বাহিনীয়ে একেলগে কাম কৰি আছে। প্ৰতিখন জিলাত নতুন সমন্বয় কোষ আৰু যৌথ নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। ইফালে, বেচৰকাৰী তথ্য অনুযায়ী হিংসা জৰ্জৰিত ৰাজ্যখনত ডেৰবছৰত অতকমেও ১০০০ৰো অধিক লোক নিহত হৈছে আৰু গৃহহীন হৈছে ১ লাখৰো অধিক লোক। উল্লেখ্য যে, শেহতীয়াকৈ যোৱা ৭ নৱেম্বৰত জিৰিবামৰ জাইৰাভান গাঁৱত তিনি সন্তানৰ মাতৃ হমাৰ জনগোষ্ঠীৰ এগৰাকী মহিলাক হত্যা কৰাৰ পিছতে ৰাজ্যখনত পুনৰ বৃদ্ধি পায় উত্তেজনা। মহিলাগৰাকীক সন্দেহযুক্ত মেইটেই উগ্ৰপন্থীয়ে হত্যা কৰাৰ অভিযোগ উত্থাপন হয়। ইয়াৰ পিছতে ১১ নৱেম্বৰত দুজনৰো অধিক কুকি বিদ্ৰোহীয়ে মেইটেই সম্প্ৰদায়ৰ ওপৰত আক্ৰমণ চলায়। পৰৱৰ্তী সময়ত চি আৰ পি এফৰ সৈতে সংঘৰ্ষত দহজন কুকি বিদ্ৰোহী নিহত হয় যদিও বিদ্ৰোহীয়ে শিশুসহ ছয়জন মেইটেই লোকক অপহৰণ কৰে। পৰৱৰ্তী সময়ত আটাইকেইজনৰ মৃতদেহ নদীত উপঙি থকা অৱস্থাত উদ্ধাৰ হোৱাৰ পিছতে পুনৰ উত্তপ্ত হৈ পৰে মণিপুৰ। সম্প্ৰতি পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিছে। বিজেপি নেতৃত্বাধীন চৰকাৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ বিৰুদ্ধে উত্থাপিত হৈছে পৰিস্থিতি নিয়ন্ত্ৰণত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰ অভিযোগ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নগাঁৱত লোমহৰ্ষক ঘটনা, ৪ জনক

উত্থাপন হ'ব ধৰিছে। বিগত কেইটামান দিনৰ ৰাজ্যত ভয়ংকৰ ঘটনা সংঘটিত হৈ আহিছে। তেনে সময়তে মধ্য অসমৰ নগাঁও জিলাৰ ৰূপহীহাটৰ গড়াজান লাওখোৱাত আজি নিশা একেটা পৰিয়ালৰ চাৰি সদস্যক নৃশংসভাৱে হত্যা কৰাৰ ঘটনাই ৰাজ্য কঁপাই গৈছে। পিতৃ-মাতৃ, কন্যাসহ একেটা পৰিয়ালৰ ৩ সদস্যসহ ৪জনকৈ লোকক নিজ ঘৰৰ একেটা কোঠাত বৰ্বৰভাৱে হানি-খুঁচি ডিঙি কাটি হত্যা কৰিছে দুৰ্বৃত্তই। আৰক্ষীৰ প্ৰাথমিক তদন্তত হত্যাৰ বলি হোৱা লোককেইজন ঘনধৰ সৰকাৰ, সৰোজনী সৰকাৰ আৰু জয়াস্মৃতা সৰকাৰ বুলি প্ৰকাশ পাইছে। এজন লোকক এই পৰ্যন্ত আৰক্ষীয়ে চিনাক্ত কৰিব পৰা নাই। ইতিমধ্যে নগাঁও জিলাৰ উচ্চপদস্থ বিষয়াৰ উপস্থিতিত আৰক্ষীয়ে সমগ্ৰ ঘৰখনত মানুহৰ আহ-যাহ বন্ধ কৰি তদন্ত আৰম্ভ কৰিছে। পৰিয়ালটোৰ দুই সদস্য ৰক্ষা পৰিছে। কিয়নো দুই সদস্যই নগাঁও চহৰত বিয়াৰ বজাৰ কৰিবলৈ গৈছিল। পৰিয়ালটোৰ যিগৰাকী কন্যাৰ বিয়া আছিল সেইগৰাকী কন্যাক আৰক্ষীৰ নগাঁও টাউনৰ পৰা নি ৰূপহীহাট আৰক্ষী থানাত ৰখা বুলি জানিব পৰা গৈছে। ঘটনাৰ প্ৰাৰম্ভিক তদন্তত আৰক্ষী আৰু স্থানীয় ৰাইজে প্ৰেমজনিত কাৰণত পৰিয়ালটোৰ চাৰি সদস্যক হত্যা কৰা হ'ব পাৰে বুলি সন্দেহ কৰিছে। জানিব পৰা মতে, হত্যাকাণ্ড সংঘটিত হোৱা পৰিয়ালটোৰ জ্যেষ্ঠ কন্যাৰ ২৭ নৱেম্বৰত বিয়া আছিল। যাৰ বাবে চোতালত ৰভা দিয়াৰ কাম চলি আছিল। বিয়াত বহিবলগীয়া জ্যেষ্ঠ কন্যা পেছাত শিক্ষয়িত্ৰী নৱস্মৃতা সৰকাৰে আজি নগাঁও চহৰত বিয়াৰ বজাৰ কৰিবলৈ গৈছিল। তেনে সময়তে দুৰ্বৃত্তই পৰিয়ালটোৰ বাসগৃহত প্ৰৱেশ কৰি চোকা অস্ত্ৰৰে চাৰিজনকৈ লোকক হত্যা কৰি বিয়াৰ চাৰি দিন পূৰ্বে তেজৰ নৈ বোৱাই দিলে দুৰ্বৃত্তই। পিছত স্থানীয় ৰাইজে তেজেৰে লুতুৰি-পুতুৰি হৈ থকা অৱস্থাত লোককেইজনক উদ্ধাৰ কৰি আৰক্ষীক খবৰ দিয়ে। এই ঘটনাই এতিয়া সমগ্ৰ ৰাজ্যত চাঞ্চল্যৰ সৃষ্টি কৰিছে। হত্যাকাণ্ডৰ কাৰণ উদ্ধাৰ কৰিবলৈ আৰক্ষীৰ জোৰদাৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ তদন্তৰ অন্ততহে লোমহৰ্ষক ঘটনাটোৰ প্ৰকৃত কাৰণ পোহৰলৈ আহিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিনোদক লাগে ৰাহুলৰ ১০০ কোটি

বিৰুদ্ধে ১০০ কোটি টকাৰ মানহানিৰ জাননী প্ৰেৰণ কৰিছে বিজেপি নেতা বিনোদ টাৱড়েয়ে। উল্লেখ্য যে, শেহতীয়াকৈ মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ ঠিক পূৰ্বে বিনোদ টাউড়েয়ে ভোটাৰৰ মাজত নগদ ধন বিতৰণ কৰি ভোট ক্ৰয়ৰ চেষ্টা চলোৱা বুলি বিস্ফোৰক অভিযোগ তুলিছিল কংগ্ৰেছ তথা বিৰোধী দলসমূহে। ইয়াৰ পিছতে তিনি কংগ্ৰেছ নেতাৰ বিৰুদ্ধে মানহানিৰ জাননী প্ৰেৰণ কৰিছে মহাৰাষ্ট্ৰৰ বিজেপি নেতাজনে। লক্ষণীয় যে, কংগ্ৰেছ তথা ইণ্ডিয়া মিত্ৰজোঁটৰ দলসমূহে বিজেপি নেতাজনৰ বিৰুদ্ধে নগদ ধন বিতৰণ কৰাৰ অভিযোগ উত্থাপন কৰাৰ পিছতে এই অভিযোগ অস্বীকাৰ কৰিছিল বিনোদ টাউড়েয়ে। এতিয়া ৰাহুল গান্ধী, মল্লিকাৰ্জুন খাৰ্গে আৰু সুপ্ৰিয়া শ্ৰীনেটৰ বিৰুদ্ধে এশ কোটি টকাৰ মানহানিৰ জাননী প্ৰেৰণ কৰি বিজেপি নেতাজনে কয়, "খাৰ্গে, গান্ধী আৰু শ্ৰীনেটে কৈছিল যে মই পাঁচ কোটি টকা গতাই দিবলৈ বাধ্য হৈছিলো। আচলতে তেওঁলোকে মোৰ আৰু মোৰ দলৰ ভাবমূৰ্তি নষ্ট কৰিব বিচাৰিছে। মই বৰ বিচলিত হৈছোঁ। মই এটা মধ্যবিত্ত পৰিয়ালত ডাঙৰ হৈছো। যোৱা ৪০ বছৰৰ ৰাজনৈতিক জীৱনত মই কেতিয়াও এনেকুৱা কাম কৰা নাই। কংগ্ৰেছে মোক অসন্মান কৰিছে। সংবাদ মাধ্যমত প্ৰচাৰ হৈছে মিছা কথা। গতিকে মই তেওঁলোকৰ বিৰুদ্ধে মানহানিৰ গোচৰ ৰুজু কৰিবলৈ ওলাইছো। তেওঁলোকে মোৰ ওচৰত ৰাজহুৱাকৈ ক্ষমা খুজিব লাগিব।" উল্লেখ্য যে, বিনোদ টাউড়েৰ নগদ ধন বিতৰণ কৰি ভোটাৰক প্ৰলোভিত কৰাৰ অভিযোগ সম্পৰ্কীয় এটা ভাইৰেল ভিডিঅ' শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰী মোদীক আক্ৰমণৰ লক্ষ্য কৰি লৈছিল ৰাহুল গান্ধীয়ে। তেওঁ কয়, 'মোদীজী, এই পাঁচ কোটি টকা ক'ৰ পৰা আহিল? কোনে মানুহৰ টকা চুৰি কৰি আপোনালৈ টেম্পো পঠিয়াইছিল?' ইফালে এই অভিযোগক লৈ বিজেপিৰ ৰাজ্যিক সভাপতি বিনোদ টাউড়েৰ বিৰুদ্ধে নিৰ্বাচন আয়োগত এজাহাৰ দাখিল কৰিছে বহুজন বিকাশ আঘাড়ীয়ে। ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছিল এই নগদ ধন উদ্ধাৰৰ এটা ভিডিঅ'। য'ত দেখা গৈছিল যে বিনোদ টাউড়েয়ে দলৰ নেতাসকলৰ সৈতে পঞ্চ তাৰকাযুক্ত হোটেলৰ কোঠাত সাক্ষাৎ কৰি আছিল। সেই সময়তে অভিযোগকাৰী দলৰ নেতাসকল হঠাতে তাত প্ৰৱেশ কৰে। বিনোদ টাউড়েৰ সমীপত উদ্ধাৰ হয় পাঁচ কোটি টকা থকা এটা বেগ। ইয়াৰ পিছতে বহুজন বিকাশ আঘাড়ীৰ নেতাসকলে ভোটাৰক প্ৰলোভিত কৰাৰ অভিযোগ উত্থাপন কৰি সৰৱ হৈ পৰে। ইয়াৰ পিছতে এই ঘটনাত নিৰ্বাচন আয়োগে হস্তক্ষেপ কৰাৰ লগতে বিজেপি নেতাজনৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰা হয়। অৱশ্যে বিনোদ টাউড়েয়ে বাৰে বাৰে এই সকলো অভিযোগ অস্বীকাৰ কৰি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি ওলাব মহাৰাষ্ট্ৰ, ঝাৰখণ্ডৰ

নিৰ্ণয় হ'ব অসমৰো ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়োৱা ৩৫ গৰাকী প্ৰাৰ্থীৰ। শনিবাৰে পুৱা ৮ বজাৰ পৰা অসমৰ উপ-নিৰ্বাচনৰ লগতে আৰম্ভ হ'ব মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা। সমগ্ৰ দেশৰ দৃষ্টি নিবদ্ধ হৈ আছে ৰাজ্য দুয়োখনৰ নিৰ্বাচনী ফলাফলৰ ওপৰত। মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ ভোটগণনা শেষ হোৱাৰ পিছতহে কোনটো দল বা মিত্ৰজোঁট ক্ষমতাৰ সিংহাসনত অধিষ্ঠিত হ'ব আৰু অহা পাঁচ বছৰলৈ ৰাজ্যখনৰ শাসন ব্যৱস্থাই কি দিশত গতি কৰিব সেয়া স্পষ্ট হ'ব। উল্লেখ্য যে, বৰ্তমান মহাৰাষ্ট্ৰত বিজেপি, শিৱসেনা (একনাথ শিন্দে ফৈদ) আৰু জাতীয়তাবাদী কংগ্ৰেছ পাৰ্টি (অজিত পাৱাৰ ফৈদ)ৰে গঠিত মহাযুটি ক্ষমতাত আছে। তেওঁলোকৰ মূল প্ৰতিদ্বন্দ্বী হৈছে শিৱসেনা (উদ্ধৱ থাকৰে ফৈদ), জাতীয়তাবাদী কংগ্ৰেছ পাৰ্টি (শৰদ পাৱাৰ ফৈদ) আৰু কংগ্ৰেছ সন্মিলিত মহা বিকাশ আঘাড়ী (এমভিএ)। মহাৰাষ্ট্ৰত মুঠ ২৮৮খন বিধানসভাৰ আসন আছে, আৰু চৰকাৰ গঠন কৰিবলৈ প্ৰয়োজন ১৪৫খন আসনৰ। মহাৰাষ্ট্ৰৰ এগজিট প'লৰ ফলাফল অনুসৰি অধিকাংশ সমীক্ষাই এই নিৰ্বাচনত মহাযুটি জয়ৰ দিশলৈ আঙুলিয়াইছে। এক্সিছ মাই ইণ্ডিয়াৰ এগজিট প'লে মহাযুটিয়ে ৰাজ্যখনত ১৫০ খন আসন পৰ্যন্ত লাভ কৰাৰ বিপৰীতে এমভিএয়ে ১২৮-১৩৫ খন আসন লাভ কৰিব বুলি দাবী কৰিছে। আনহাতে, চি-ভোটাৰৰ প্ৰতিবেদনতো একেধৰণৰ ভৱিষ্যদ্বাণী কৰা হৈছে। কিন্তু একাংশ সমীক্ষা অনুসৰি মহাযুটি আৰু এমভিএৰ মাজত ফলাফলত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হ'ব পাৰে। উল্লেখ্য যে, এই নিৰ্বাচনৰ এটা ডাঙৰ বৈশিষ্ট্য আছিল ভোটদানৰ শতকৰা হাৰ, যিটো আছিল ৬৫.১%। এইবাৰ বিগত ৩০ বছৰৰ ভিতৰত সৰ্বাধিক ভোটদান হৈছিল মহাৰাষ্ট্ৰত। ইয়াৰ ফলত মহাৰাষ্ট্ৰৰ নিৰ্বাচনৰ গুৰুত্ব বাঢ়িছে। ভোটাৰৰ অংশগ্ৰহণৰ এই বৃদ্ধিৰ লগে লগে বহু ৰাজনীতিবিদ আৰু ৰাজনৈতিক বিশেষজ্ঞই দাবী কৰিছে যে এই নিৰ্বাচন আৰু অধিক ৰোমাঞ্চকৰ হ'ব। ইফালে বৰ্তমান ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতৃত্বাধীন কংগ্ৰেছ মিত্ৰজোঁটৰ চৰকাৰ শাসনত থকা ঝাৰখণ্ডৰ পৰিস্থিতি একেবাৰে বেলেগ। বিজেপিয়ে এই নিৰ্বাচনত আজছু, জেডিইউ আৰু এলজেপিৰ সৈতে মিত্ৰতা কৰি যুঁজিছে। ঝাৰখণ্ডত মুঠ ৮১টা বিধানসভা সমষ্টি আছে আৰু চৰকাৰ গঠনৰ বাবে ৪১খন আসনৰ প্ৰয়োজন। ঝাৰখণ্ডৰ এগজিট প'লৰ ফলাফলো মহাৰাষ্ট্ৰৰ সৈতে কিছু পৰিমাণে মিল আছে। ইণ্ডিয়া টুডে-এক্সিছ মাই ইণ্ডিয়া আৰু চি-ভোটাৰৰ প্ৰতিবেদন অনুসৰি জেএমএম নেতৃত্বাধীন মিত্ৰজোঁটে ৪৫-৫০খন আসন পৰ্যন্ত লাভ কৰিব পাৰে, যাৰ ফলত তেওঁলোকে পুনৰ চৰকাৰ গঠনৰ পথ মুকলি হ'ব। বিজেপি আৰু ইয়াৰ মিত্ৰজোঁটে ৩০-৩৫খন আসন লাভ কৰিব পাৰে, যিটো তেওঁলোকৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হ'ব। উল্লেখ্য যে, দুয়োখন ৰাজ্যৰ ফলাফলৰ ভৱিষ্যদ্বাণী কৰা বিভিন্ন এগজিট প'লৰ সমীক্ষাত মহাযুটি আৰু বিজেপিৰ আগ্ৰাসন দেখা গৈছে যদিও প্ৰকৃত ফলাফল কাইলৈ স্পষ্ট হৈ পৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'পগলা কুকুৰো নহয়, মই কাগজৰ বাঘো

বিহালী আমি জিকিলোঁৱোই বুলি দাবী কৰিছে। ফলাফল ঘোষণাৰ পিছতে সেই কথা প্ৰমাণ হ'ব বুলি জোৰ দিয়ে। গ্ৰাউণ্ডৰ পৰা যি ফিটবেক পোৱা বুলি উল্লেখ কৰি গৌৰৱ গগৈয়ে কয় যে বিহালী আমি জিকিলোঁৱোই। কাইলৈৰ ফলাফলে গোটেই কথা প্ৰমাণ কৰি দিব। কিমানত জিকিব সেই অংক মই কৰিব নোৱাৰো। গ্ৰাউণ্ডৰ পৰা যি ফিটবেক পাইছো, দিছপুৰৰ বিজেপিৰ শিবিৰৰ পৰা আমি যি ফিডবেক পাইছো। আমাৰো মানুহ আছে। বিহালী আমি জিকিলোঁৱেই। চামগুৰিও আমি জিকিলো। মই অন্য সমষ্টিৰ কথা ক'ব নোৱাৰো। কিয়নো মই বিহালীক বেছিভাগ সময় আছিলো। চামগুৰি মোৰ পুৰণি সমষ্টি। য'ত য'ত মোৰ মানুহ আছে তাৰ পৰা মই খবৰ পাইছো বুলি কয় কংগ্ৰেছ নেতাগৰাকীয়ে। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই গৌৰৱক 'কাগজৰ বাঘ' বুলি ইতিকিং কৰিছিল। তাৰ উত্তৰ দি গৌৰৱ গগৈয়ে কয় যে মই কাগজৰ বাঘো নহয়, পগলা কুকুৰো নহয়। মই ৰাইজৰ সেৱক। ৰাইজৰ সেৱক হৈ থাকিম। অখিল গগৈয়ে গৌৰৱক 'ৰাজপুত্ৰ' বুলি কৈছিল। অখিল গগৈক উত্তৰ দি গৌৰৱ গগৈয়ে কয় যে মই প্ৰয়াত তৰুণ গগৈৰ পুত্ৰ হও। সেই কথা মই স্বীকাৰ কৰো। তেওঁ তৰুণ গগৈক যেনেদৰে সম্বোধন কৰিব বিচাৰে কৰিব পাৰে। তৰুণ গগৈৰ পুত্ৰ হিচাপে মোৰ পিতৃয়ে যি আদৰ্শৰে কাম কৰি গ'ল, ৰাজনীতি কৰি গ'ল সেই আদৰ্শৰে মই কাম কৰি যাম। ইপিনে অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম'ৰ অংশীদাৰী দলবোৰে কংগ্ৰেছক সমালোচনা কৰি অহা প্ৰসংগত গৌৰৱ গগৈয়ে কয় যে সেইবিলাক কথা নিৰ্বাচনৰ সময়ত পাৰ হৈ গ'ল। মই আকৌ সকলোকে কৈছো। আহক এতিয়া আমি একেলগে এক কাপ চাহ খাম। প্ৰচাৰ হৈ গ'ল, নিৰ্বাচন হৈ গ'ল। আমাৰ মিত্ৰসকলক কও যে নিৰ্বাচন শেষ, প্ৰচাৰ শেষ এতিয়া আমি আহক সকলোৱে একেলগে একাপ চাহ খাও। চাহৰ কাপত পুনৰ কথাবোৰ আমি আলোচনা কৰিম। মিত্ৰতাক লৈ পুনৰ ভূপেন কুমাৰ বৰা, নিখিল ভাৰত কংগ্ৰেছে আগভাগ ল'ব। গৌৰৱ গগৈ মিত্ৰদলৰ একাংশ নেতাই অসম কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিঙক লৈ কিছু মন্তব্য কৰাত আপত্তি থকা বুলি কয়। হোটেল লিলিৰ প্ৰসংগ উল্লেখ কৰি হোটেল লিলিৰ পৰিৱৰ্তে এইবাৰ ৰাস্তাৰ ওচৰৰ হোটেলত বহাৰ লগতে বিহালীৰ ভাল ভাল হোটেলত বৈঠক হ'ব বুলি কয়। এইদৰে আজি ফলাফলৰ এদিন পূৰ্বে যথেষ্ট আত্মবিশ্বাসী হৈ বিজেপিক প্ৰত্যুত্তৰ দিয়ে সাংসদগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নতুন নাম দিলে অখিলে

নতুন নাম দিলে অখিল গগৈয়ে। আজি গুৱাহাটীত এখন সংবাদমেল আয়োজন কৰি ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে আমেৰিকাৰ এখন আদালতে গ্ৰেপ্তাৰি পাৰোৱানা জাৰি কৰা ভাৰতৰ উদ্যোগপতি গৌতম আদানিৰ সৈতে অসমৰ মুখ্যমন্ত্ৰীৰ সম্পৰ্কক লৈ বিস্ফোৰণ ঘটোৱাৰ লগতে মুখ্যমন্ত্ৰীগৰাকীৰ দুটাকৈ নতুন নাম থয়। ঋণ লৈ অসমৰ অৰ্থনীতি একপ্ৰকাৰ চুৰমাৰ কৰি পেলোৱা বাবে অখিলে মুখ্যমন্ত্ৰীৰ এটা নাম ৰাখে 'ঋণান্ত বিশ্ব চুৰমাৰ'। বিধায়কগৰাকী হিমন্তৰ দ্বিতীয় নাম এটাও ৰাখিছে। অখিলে কয় যে এইবাৰ যদি বিধানসভাৰ শীতকালীন অধিৱেশনত মুখ্যমন্ত্ৰীয়ে কথা ক'বলৈ উঠিলে তেওঁক পিংপং বল বুলি কয় তেন্তে তেওঁ মুখ্যমন্ত্ৰীক দুঃশাসন বিশ্ব শৰ্মা নামেৰে মাতিব। হিমন্ত শব্দটো অসমীয়া কোনো এখন অভিধান বাদেই সংস্কৃত অভিধানতো নাই বাবেই মুখ্যমন্ত্ৰীয়ে কোৱামতেই অভিধানত নথকা হিমন্ত বিশ্ব শৰ্মা নামটো সলাই দিয়া বুলিও কয় অখিলে। উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে কৰিমগঞ্জ জিলাৰ নাম শ্ৰীভুমিলৈ সলন কৰাৰ কথা ঘোষণা কৰি একাধিক যুক্তি প্ৰদৰ্শন কৰিছিল আৰু কৈছিল যে কৰিমগঞ্জৰ দৰে ঐতিহ্য তথা ইতিহাস নথকা, অভিধানত নথকা নামবোৰ সলনি কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে আজিৰ সংবাদমেলত মুখ্যমন্ত্ৰীয়ে গৌতম আদানীৰ পৰা ঘোচ লোৱাৰ সন্দেহ ব্যক্ত কৰিছে বিধায়ক অখিল গগৈয়ে। আমেৰিকাৰ এখন আদালতে গৌতম আদানিৰ আদানি গ্ৰীণ আৰু বহিৰাগত আজুৰে নামৰ কোম্পানীয়ে আমেৰিকাৰ বিনিয়োগকাৰীৰ পৰা প্ৰায় ২১০০ কোটি টকা সংগ্ৰহ কৰি ভাৰতৰ ৫ ৰাজ্যৰ বিষয়াক উৎকোচ দিয়াৰ গোচৰত ৭ জন লোকক অভিযুক্ত কৰিছে। অভিযুক্তসকলৰ ভিতৰত অন্যতম হৈছে আদানি গোটৰ মুৰব্বী গৌতম আদানী আৰু আদানি পাৱাৰৰ মুৰব্বী তথা গৌতম আদানিৰ ভতিজা সাগৰ আদানি। ভাৰতৰ উৎকোচ লৈ বিষয়াসকলে আদানী গ্ৰীণ আৰু আজুৰেৰ সৌৰ শক্তি প্ৰকল্পত উৎপাদন কৰা বিদ্যুৎ ৰাজ্যসমূহক অত্যাধিক দামত বিক্ৰী কৰাৰ লগতে ২৫ বছৰলৈ বিদ্যুৎ বিক্ৰী কৰি যাবলৈ দীৰ্ঘম্যাদী চুক্তি সম্পন্ন কৰিছিল। এইচুক্তিসমূহত ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু বিষয়াসকলৰ প্ৰভাৱ আছিল। যাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন আদালতে তেওঁলোকৰ দেশৰ বিনিয়োগকাৰীৰ ভুৱা তথ্যৰে প্ৰলোভিত কৰি বণ্ড যোগে ধন লৈ ভাৰতৰ বিষয়াক উৎকোচ দিয়াৰ অভিযোগ অনাত ইয়াকে লৈ অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কিয়নো অসমত আছে আজুৰৰ চাৰিটা প্ৰকল্প। অসমৰ ওদালগুৰি, বকো, নগাঁও আৰু কাছাৰ জিলাত স্থাপন কৰিছে প্ৰকল্পকেইটা। বকো প্ৰকল্প খোদ মুকলি কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ২০২২ চনৰ ২০ জুলাইত বকোত আজুৰৰ ৯০ মেগাৱাটৰ সৌৰ শক্তি প্ৰকল্প মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰিছিল। অসমৰ প্ৰকল্পত উৎপাদিত বিদ্যুৎ ২৫ বছৰীয়া পিপিএ-ৰ অধীনত অসম চৰকাৰে ক্ৰয় কৰিব বুলি চুক্তি কৰিছিল। আমেৰিকাৰ আদালতে উৎকোচ গোচৰত গৌতম আদানীক অভিযুক্ত কৰাত মুখ খুলিছে অখিল গগৈয়ে। অখিল গগৈয়ে ভাৰতৰ উৎকোচ দিয়া বিষয়াসকলৰ ভিতৰত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা থাকিব পাৰে বুলি সন্দেহ কৰিছে। লগতে অসমৰ মুখ্যমন্ত্ৰীক তীব্ৰ সমালোচনা কৰি অখিল গগৈয়ে কয় যে ১ মেগাৱাট বিদ্যুৎ ক্ৰয়ৰ নামত ২৫ লাখ টকা ঘোচ দিয়া বুলি আদালতত ওলাইছে। ভাৰতৰ বাকী ৰাজ্যৰ মুখ্যমন্ত্ৰী নাম ওলাইছে। একেটা আজুৰ কোম্পানীৰ পৰা অসম চৰকাৰে ৯০ মেগাৱাট বিদ্যুৎ কিনিছে। যিহেতু আজুৰৰ পৰা অসম চৰকাৰে বিদ্যুৎ ক্ৰয় কৰিছে সেয়েহে অসমৰ চৰকাৰ, অসম চৰকাৰৰ মুৰব্বী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে চিবিআই তদন্ত হ'ব লাগে। অখিল গগৈয় আৰু কয় যে আমেৰিকাৰ আদালতত এই কথা ওলাইছে যে যিমান চৰকাৰৰ সৈতে আজুৰে চুক্তি কৰিছে সকলো ৰাজ্যক বিষয়াক এক মেগাৱাট বিদ্যুতৰ বিনিময়ত ২৫ লাখকৈ টকাকৈ ঘোচ দিছে। ঘোচ কেলেংকাৰী সংঘটিত হোৱাৰ সময়ত অসমত ২০২১-২৩ চনৰ ভিতৰত চুক্তি কৰিছিল। এই সময়ত যিহেতু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আছিল সেয়েহে মুখ্যমন্ত্ৰী সন্দেহৰ আৱৰ্তত। মুখ্যমন্ত্ৰীয়ে ২০২২ চনৰ ২৫ ফেব্ৰুৱাৰীত আদানীক সাক্ষাৎ কৰিছিল। যিটো সময়ত কেলেংকাৰী হৈছিল সেই সময়ত অসমৰ মুখ্যমন্ত্ৰীয়ে আদানীক সাক্ষাৎ কৰিছিল। মুখ্যমন্ত্ৰীয়ে আদানীক সাক্ষাৎ কৰাৰ ফটো নিজেই প্ৰকাশ কৰিছিল। আমেৰিকাৰ আদালতৰ উধৃতি দি অখিল গগৈয়ে অন্ধ্ৰপ্ৰদেশৰ তদানীন্তন মুখ্যমন্ত্ৰী জগনমোহন ৰেড্ডীৰ প্ৰসংগ উল্লেখ কৰি কয় যে অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰীক ১ মেগাৱাট বিদ্যুতৰ বাবে ২৫ লাখকৈ টকা ঘোচ দিছিল। উৎপাদিত বিদ্যুৎ ক্ৰয়ৰ চুক্তি স্বাক্ষৰ কৰি ৭ হাজাৰ মেগাৱাট ক্ৰয় কৰা অন্ধ্ৰপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জগনমোহন ৰেড্ডীক দিছিল ১,৭৫০ কোটি টকাৰ উৎকোচ। যিহেতু একেই ধৰণে চুক্তি স্বাক্ষৰ কৰিছে অসম চৰকাৰে। একেই ধৰণে যদি ১ মেগাৱাট বিদ্যুতৰ বিনিয়মত ২৫ লাখকৈ টকা দিছে তেন্তে অসমত ৯০ মেগাৱাটৰ বিনিময়ত ২২ কোটি ৫০ লাখ টকা পাব বুলি দাবী কৰিছে অখিলে। অখিল গগৈয়ে এই ধন মুখ্যমন্ত্ৰীয়ে লোৱাৰ সন্দেহ কৰিছে? স্মাৰ্ট মিটাৰৰ প্ৰসংগ টানি আনি বিদ্যুৎ বিভাগে প্ৰকাশ কৰা নিবিদাৰ জাননীৰ কথা উল্লেখ কৰে। অখিল গগৈয়ে আদানী গ্ৰুপে স্মাৰ্ট মিটাৰ বহুওৱাৰ ঠিকা লাভ কৰাৰ অভিযোগ আনি কয় যে ২০২২ চনৰ ফেব্ৰুৱাৰী মাহত গৌতম আদানীয়ে লগ কৰি গৈছিল হিমন্ত বিশ্ব শৰ্মাক। ২০২২ চনৰ ছেপ্তেম্বৰ মাহত আদানীৰে অসম চৰকাৰে ৮৪৪ কোটি ৭৪ লাখ টকাৰ চুক্তি কৰে। স্মাৰ্ট মিটাৰ বেলেগ কোম্পানীয়ে বনাই। সেই কোম্পানীৰ সৈতে স্মাৰ্ট মিটাৰ লগোৱাৰ চুক্তি কৰিছিল যদিও পুনৰ আদানিৰ সৈতে চুক্তি কৰিছিল। যদি আদানীৰ স্মাৰ্ট মিটাৰ আৰু আজুৰৰ উৎকোচ কাণ্ডত হিমন্ত বিশ্ব শৰ্মা জড়িত নাই তেন্তে চিবিআই তদন্ত ঘোষণাৰ প্ৰত্যাহ্বান জনাইছে অখিল গগৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জীৱ-জন্তুৰ ৯ শত্ৰুক গ্ৰেপ্তাৰ

কৰি আক্ৰমণ কৰিছিল। এই ঘটনা সংঘটিত হৈছিল নগাঁও জিলাৰ কলিয়াবৰৰ জখলাবন্ধাত। এই ঘটনাই ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। তাৰ পিছতে নগাঁও জিলাৰ আৰক্ষী সক্ৰিয় হয়। আৰক্ষীয়ে জখলবন্ধাৰ ৮ জনকৈ লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। জখলাবন্ধাৰ কেৰিবাকৰিৰ জয়ন্ত সেন, নিখিল চাহানী, টপাহোলাৰ সন্তোষ গড়, দুৰ্গা গড় আৰু ৰে'লৰে ষ্টেচনৰ নৰেশ চাহানী, বিকাশ মহাতু, সম্ভু গড় আৰু বাহাদুৰ চাহানীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে নগাঁও আৰক্ষী। বৃহস্পতিবাৰে নিশা গ্ৰেপ্তাৰ কৰা ৮ জন লোকক জেৰা কৰাৰ অন্তত নগাঁৱৰ আদালতত হাজিৰ কৰোৱা বুলি জানিব পৰা গৈছে। কলিয়াবৰৰ বিভিন্ন এলেকাত বাঘৰ সন্ত্ৰাসৰ মাজতে ২০ নৱেম্বৰত জখলাবন্ধাৰ কেৰিবাকৰিত টেঁকীয়াপতীয়াক প্ৰত্যক্ষ কৰে একাংশ লোকে। তাৰ পিছতে খেদি পঠিয়াবলৈ প্ৰয়াস কৰি একাংশ উন্মাদ লোকে দা, যাঠি-জোং লৈ অহাত টেঁকীয়াপতীয়াই কলং নৈত জাঁপ দিয়ে। তেনে সময়তে জাঁপ দি প্ৰাণ বচাবৰ বাবে পাৰলৈ উঠি আহিবলৈ প্ৰয়াস কৰা টেঁকীয়াপতীয়াটোক শিলগুটি নিক্ষেপ কৰি একাংশ লোকে। ফলত লেবেজান হৈ পৰে টেঁকীয়াপতীয়া বাঘটো। তাৰ পাছতে বন বিভাগে ট্ৰেংকুলাইজ কৰি টেঁকীয়াপতীয়াক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী পুনৰ সংস্থাপন কেন্দ্ৰলৈ নিয়ে যদিও চকুত বেয়াকৈ আঘাত পোৱাত এটা চকু হেৰুওৱাৰ উপক্ৰম হোৱা বুলি জানিব পৰা গৈছে। এই ঘটনাৰ এটা ভিডিঅ' ব্যাপক হাৰত ভাইৰেল হয়। ভিডিঅ' ফুটেজৰ ভিত্তিত শিলগুটি নিক্ষেপ কৰি টেঁকীয়াপতীয়াক প্ৰহাৰ কৰা লোকক গ্ৰেপ্তাৰৰ দাবী জনায়। জখলাবন্ধা আৰক্ষীয়ে বৃহস্পতিবাৰে নিশা ভিডিঅ' ফুটেজৰ ভিত্তিত অভিযান চলাই ৮ জনক গ্ৰেপ্তাৰ কৰে। জখলাবন্ধা আৰক্ষী থানাত বন বিভাগ আৰু প্ৰকৃতিপ্ৰেমীয়ে দাখিল কৰা এজাহাৰৰ ভিত্তিত ১১২/২৪ নম্বৰক গোচৰ ৰুজু কৰিছে। ইফালে, নগাঁও জিলাৰ চামগুৰিৰ পুৰণিগুদামৰ মিকিৰহাটত পোৱালি জগাৰ পিছতে এটা প্ৰভুভক্ত কুকুৰ নিধন কৰাত তীব্ৰ চাঞ্চলৰ সৃষ্টি হৈছে। নগাঁৱৰ সাংবাদিক অভিজিৎ বৰাই ফেচবুকযোগে পোৱালিকেইটাই মৃত মাতৃৰ দুগ্ধপান কৰি থকা হৃদয়বিদাৰক দৃশ্য ৰাজহুৱা কৰিছিল। দিব্যজ্যোতি শইকীয়া ওৰফে দাদুল নামৰ লোকজনৰ বিৰুদ্ধে কণমানি পোৱালিকেইটা থকা কুকুৰটোক নিধন কৰা বুলি অভিযোগ উঠিছিল। এই ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰাত আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হয়। সাৰমেয় হত্যাকাৰী পুৰণিগুদামৰ মিকিৰহাট হাতীগাঁৱৰ দিব্যজ্যোতি শইকীয়া ওৰফে দাদুলক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে।



## আলফা স্বাধীনৰ প্ৰতিবাদ দিৱসক লৈ কটকটীয়া নিৰাপত্তা

# শিৱসাগৰ জিলাত আৰক্ষীৰ ছুটী বাতিল

**ই-সংবাদ, শিৱসাগৰ, ২২ নবেম্বৰঃ** আলফা স্বাধীনৰ অহা ২৮ নবেম্বৰৰ প্ৰতিবাদ দিৱসৰ প্ৰতি লক্ষ্য ৰাখি শিৱসাগৰ জিলা প্ৰশাসন, আৰক্ষীয়ে সমগ্ৰ জিলাখনৰ লগতে চহৰ অঞ্চলতো কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। আলফা স্বাধীনৰ দ্বাৰা সংঘটিত হ'বলগীয়া যি কোনো কূটাঘাত প্ৰতিৰোধৰ বাবে সমগ্ৰ জিলাখনতেই আজিৰে পৰা সৰ্বাধিক সতৰ্কতা অৱলম্বন কৰিছে। উল্লেখ্য যে, বিগত শেষাংশ ৮ পৃষ্ঠাত

# পশ্চিম নলবাৰী চিডিপিঅ' প্ৰকল্পত ব্যাপক অনিয়মৰ অভিযোগ

## তলামৰা বাকচত আৱদ্ধ হাজাৰ হাজাৰ আবেদন

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২২ নবেম্বৰঃ** চৰকাৰৰ সমাজ কল্যাণ বিভাগে বিভিন্ন কঢ়া নীতি নিৰ্দেশনা জাৰি কৰাৰ সময়তে নলবাৰী জিলাৰ পশ্চিম নলবাৰী সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পত অংগনবাড়ী কৰ্মী-সহায়িকাৰ বদলিৰ নামত বজাৰ বহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সামান্য পাৰিশ্ৰমিকেৰে ইমান দিনে কাম কৰি অহা অংগনবাড়ী কৰ্মী-সহায়িকাসকলক বিভাগে ৰেচনেলাইজৰ দোহাই দি পূৰ্বৰে পৰা চলি থকা একাংশ অংগনবাড়ী কেন্দ্ৰ উঠাই নি তিনি-চাৰিটাকৈ কেন্দ্ৰ শেষাংশ ৭ পৃষ্ঠাত

# লম্পট স্বামীৰ বিৰুদ্ধে গোচৰ দি বিপদত পৰিছে কামপুৰৰ মহিলা

**ই-সংবাদ, কামপুৰ, ২২ নৱেম্বৰঃ** এগৰাকী ৬ বছৰীয়া কন্যা সন্তানৰ মাতৃয়ে এতিয়া ন্যায় বিচাৰি জনাইছে কাতৰ আহ্বান। স্বামী আৰু শাহুৰ নানান অত্যাচাৰৰ বলি হোৱা ৬ বছৰীয়া কণমানি শিশুৰ মাতৃ এগৰাকীৰ কৰুণ কাহিনীয়ে কামপুৰ-কঠীয়াতলী অঞ্চলত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শেষাংশ ৮ পৃষ্ঠাত



পাঞ্জাবাৰীৰ আইদেউ চিনেমা হলত 'দ্য সবৰমতী ৰিপৰ্ট' চালে মুখ্যমন্ত্ৰীয়ে

# পৰ্যটকক ন-ৰূপত আদৰিবলৈ সাজু বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম

**ই-সংবাদ, সোণাৰি, ২২ নৱেম্বৰঃ** আগন্তুক নৱবৰ্ষৰ প্ৰাকক্ষণত ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰা আহোম ৰাজত্বৰ গৌৰৱময় ঐতিহ্য বহনকাৰী চৰাইদেউ মৈদাম ক্ষেত্ৰ সাজু হৈ উঠিছে দেশী-বিদেশী পৰ্যটকক আদৰিবলৈ। শেষাংশ ৭ পৃষ্ঠাত

# অসমক লৈ দিল্লীত বিজেপিৰ বিশেষ বৈঠক

**ইই-সংবাদ, ২২ নৱেম্বৰঃ** অসমত পৰৱৰ্তী বিধানসভাৰ নিৰ্বাচন প্ৰায় ১৫ মাহ পিছত অনুষ্ঠিত হ'ব। ২০২৬ চনত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ বাবে শাসকীয় দল বিজেপিয়ে এতিয়াৰ পৰাই সাংগঠনিক গতি-বিধি আৰম্ভ কৰিছে। শেষাংশ ৯ পৃষ্ঠাত

# গৌৰৱ গগৈয়ে মহানগৰীৰ নলাত ছতিয়ালে ঔষধ


**ই-সংবাদ, ২২ নৱেম্বৰঃ** ৰাজ্যৰ ৰাজধানী গুৱাহাটীত কেবাটাও ঠাইত ডেংগুৰ প্ৰাদুৰ্ভাৱ হোৱাত চিন্তিত ৰাজ্যৰ মুখ্য বিৰোধী দল কংগ্ৰেছ। অক্টোবৰ মাহৰ পৰা গুৱাহাটীৰ কেইবাটাও এলেকাত পুনৰ ডেংগুৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাত ইতিমধ্যে ৯ অক্টোবৰত জুৰোডৰ ভাস্কৰনগৰত এগৰাকী মহিলাই প্ৰাণ হেৰুৱাইছিল। শেষাংশ ৯ পৃষ্ঠাত

# হোজাইৰ বজাৰত ঔষধৰ মুকলি বেহা

**ই-সংবাদ, মোৰাঝাৰ, ২২ নৱেম্বৰঃ** হোজাই জিলাত বিভিন্ন হাট-বজাৰত জীৱন দায়িনী ঔষধ একাংশ অশিক্ষিত লোকে শুকান মাছৰ দোকানৰ দৰে মুকলিকৈ বিক্ৰী কৰা ভয়ংকৰ তথ্য পোহৰলৈ অহাত শেষাংশ ৯ পৃষ্ঠাত

# চিকিৎসকৰ কাণ্ড! মৃত ঘোষণা কৰা ব্যক্তি উঠি বহিল চিতাত

**কোটা, ২২ নৱেম্বৰঃ** চিকিৎসকে মৃত ঘোষণা কৰাৰ পিছত দুঘণ্টা ধৰি মৰ্গৰ ডিপ ফ্ৰীজত ভৰাই ৰখা হৈছিল মৃতদেহটো। মৰোণত্তৰ পৰীক্ষা নকৰাকৈয়ে ভুৱা মৰণোত্তৰ ৰিপ'ৰ্ট প্ৰস্তুত কৰি চিকিৎসকে মৃতদেহটো গতাই দিছিল পৰিয়ালৰ হাতত। এক শোকাকুল পৰিৱেশত পৰিয়ালে মৃতদেহৰ অন্ত্যেষ্টিক্ৰিয়াৰ বাবে চিতাৰ ওপৰত তোলাৰ সময়তে হঠাৎ জীৱিত হৈ উঠে ব্যক্তিজন। ৰাজস্থানৰ ঝুনঝুনত এই



আশ্বৰ্যকৰ ঘটনা সংঘটিত হোৱাৰ পিছতে চৌদিশে সৃষ্টি হয় চাঞ্চল্যকৰ পৰিস্থিতিৰ। চিতাৰ ওপৰত প্ৰাণ পোৱা লোকজনক লগে লগে পৰিয়ালৰ লোকে প্ৰথমে বিজিকে হাস্পতালত ভৰ্তি কৰায় যদিও পিছত জয়পুৰলৈ ৰেফাৰ কৰা হয়। কিন্তু প্ৰায় ১২ ঘণ্টা চিকিৎসাধীন হৈ থাকি অৱশেষত হাস্পতালৰ আইচিইউত মৃত্যু ঘটে লোকজনৰ। জানিব পৰা মতে, ৪৭ বৰ্ষীয় মুক-বধিৰ লোকজনৰ নাম হৈছে ৰোহিতাশ। বগড়স্থিত শেষাংশ ৭ পৃষ্ঠাত

■ ৬নং পৃষ্ঠাৰ পৰা...

# চিকিৎসকৰ কাণ্ড! মৃত ঘোষণা কৰা ব্যক্তি

মা সেৱা সন্থাৰ আশ্ৰয় গৃহত বাস কৰা লোকজন বৃহস্পতিবাৰে বিয়লি অসুস্থ হৈ পৰাত তেওঁক ঝুনঝুনৰ চৰকাৰী বিডিকে হাস্পতালত ভৰ্তি কৰোৱা হয়। কিন্তু চিকিৎসালয়খনৰ জৰুৰীকালীন বিভাগত চিকিৎসকে লোকজনক মৃত ঘোষণা কৰে। ইয়াৰ পিছতে ৰোহিতাশৰ মৃতদেহ প্ৰায় দুঘণ্টা ধৰি মৰ্গৰ ডিপ ফ্ৰীজত ৰখা হয়। একে সময়তে মৰোণত্তৰ পৰীক্ষা নকৰাকৈয়ে চিকিৎসকে প্ৰতিবেদন প্ৰস্তুত কৰি মৃতদেহটো পৰিয়ালক গতাই দিয়ে। কিন্তু মৃতদেহ সৎকাৰ কৰিবলৈ চিতাৰ ওপৰত তোলাৰ সময়তে জী উঠে লোকজন। এই চাঞ্চল্যকৰ ঘটনা পোহৰলৈ অহাৰ পিছতে চিকিৎসকৰ গাফিলতিৰ অভিযোগ উত্থাপন হৈছে। জীয়াই থকা এজন ব্যক্তিক মৃত ঘোষণা কৰি মৰ্গলৈ প্ৰেৰণ কৰা আৰু ভুৱা প্ৰতিবেদন প্ৰস্তুত কৰাৰ অভিযোগত তিনিজন চিকিৎসকক নিলম্বন কৰিছে উপ-আয়ুক্ত ৰামাৱতাৰ মীনাই। চাকৰিৰ পৰা বৰ্খাস্ত হোৱা চিকিৎসকসকলৰ ভিতৰত আছে ডাঃ যোগেশ জাখৰ, ডাঃ নৱনীত মীল আৰু ডাঃ সন্দীপ পাচাৰ। উপ-আয়ুক্তগৰাকীয়ে কয় যে ইমান ডাঙৰ ঘটনাৰ পাছতো চিকিৎসালয়খনৰ প্ৰাথমিক চিকিৎসা বিষয়া সন্দীপ পাচাৰে বিষয়টো গোপনে ৰাখিছিল। ঘটনাৰ খবৰ পোৱাৰ পিছতে মাজনিশা তিনিগৰাকী চিকিৎসকক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়। ইফালে ৰাজস্থানৰ স্বাস্থ্যমন্ত্ৰী গজেন্দ্ৰ সিং খিনোছাৰে এই ঘটনাৰ তদন্তৰ বাবে বৃহৎ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁৰ নিৰ্দেশত এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰা হৈছে। এই সমিতিখনত জয়পুৰ মণ্ডলৰ কেবাগৰাকী স্বাস্থ্য বিষয়াক ৰখা হৈছে। এই সমিতিখনে সাত দিনৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিল কৰিব।

■ ৬নং পৃষ্ঠাৰ পৰা...

# পশ্চিম নলবাৰী চিডিপিঅ' প্ৰকল্পত ব্যাপক

একেলগ কৰাত অঞ্চলসমূহৰ শিশু, গৰ্ভৱতী, প্ৰসূতি, কিশোৰীকে ধৰি সৰ্বস্তৰৰ লোকসকল বিভিন্ন অসুবিধাৰ সন্মুখীন হৈছে বুলিও স্থানীয় লোকে আক্ষেপ কৰিছে। এনে ৰেচনেলাইজৰ সুযোগ গ্ৰহণ কৰি নলবাৰী জিলাৰ বিশেষকৈ পশ্চিম নলবাৰী সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পত অংগনবাড়ী কৰ্মী, সহায়িকাৰ বদলিৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাত এচাম কৰ্মী-সহায়িকা জাণ্ডুৰ খাই উঠিছে। কৰ্মী-সহায়িকা বদলিৰ ক্ষেত্ৰত উক্ত প্ৰকল্প কাৰ্যালয়টোৰ গিয়াছউদ্দিন আহমেদ নামৰ কৰ্মচাৰীজন সৰ্বেসৰ্বা হৈ পৰাৰ অভিযোগ উঠিছে। বিতৰ্কিত পৰিসংখ্য সহায়ক আহমেদে ছুপাৰভাইজাৰৰ কোনো মতামত নোলোৱাকৈ নিজ মইমতালিৰে একাংশ কৰ্মী-সহায়িকাক দহ-বাৰ কিলোমিটাৰ নিলগত বদলিকৰণৰ তালিকা প্ৰস্তুত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে গোপন বুজাবুজিৰে নিজৰ পছন্দৰ বহুগৰাকী কৰ্মী-সহায়িকাক ওচৰৰ চেন্টাৰত বদলি কৰাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিভাগীয় নিয়ম মতে বদলিকৰণৰ তালিকা প্ৰস্তুত তথা স্থান নিৰ্ধাৰণৰ ক্ষেত্ৰত পৰিসংখ্য সহায়ক গৰাকীৰ কোনো কৰ্তৃত্ব নাই। বিভাগীয় নিয়ম মতে উক্ত কাম কাৰ্যালয়ৰ মুখ্য সহায়কেহে সম্পাদন কৰিব লাগে। অভিযোগ অনুসৰি, বছৰ বছৰ ধৰি নিজৰ গৃহ বিধানসভা সমষ্টিৰ পূৰ্ব টিহু, মধুপুৰ আৰু বৰ্তমানেও একেবাৰে প্ৰায় তিনি বছৰ ধৰি পশ্চিম নলবাৰী (চামতা) প্ৰকল্পত কৰ্মৰত হৈ অংগনবাড়ী কৰ্মী সহায়িকা বদলিকে ধৰি অনৈতিকভাৱে বিত্ত সম্পৰ্কীয় কাম-কাজেৰে নপতা 'হিচাপৰক্ষক'ৰ ভূমিকা লৈ পৰিসংখ্য সহায়ক আহমেদে উঠিৰজা-বহিৰজা হৈ পৰিছে। জানিব পৰা মতে, কাৰ্যালয়টোৰ অনিয়মৰ বহু কথা অলপতে হোৱা চৰকাৰী 'হিচাপ পৰীক্ষণত' ধৰা পৰে। উল্লেখ্য যে, উক্ত সংহত শিশু উন্নয়ন প্ৰকল্পটোত সংঘটিত অনিয়মৰ বাবে প্ৰায় দুবছৰ পূৰ্বে জাৰি কৰা অংগনবাড়ী কৰ্মী-সহায়িকা নিযুক্তিৰ আবেদন পত্ৰ জমা বাকচত তদানীন্তন নলবাৰী জিলা আয়ুক্তই তলা লগাই দিছিল। য'ত আজিলৈকে নিযুক্তি প্ৰকল্প বন্ধ হৈ আছে। বন্ধ তলাও খোলা হোৱা নাই। লক্ষণীয়ভাৱে সেইসময়ৰ কৰ্মী-সহায়িকাৰ নিযুক্তি বিজ্ঞাপন জাৰি হোৱাৰ পিছতে কাৰ্যালয়টোৰ জনৈক কাজি আৰু আহমেদ উপাধিৰ দুগৰাকী কৰ্মচাৰীয়ে চাকৰিৰ নামত বহু ধন সংগ্ৰহ কৰাৰ অভিযোগ উঠিছিল। ইপিনে কৰ্মী-সহায়িকা বদলিৰ প্ৰক্ৰিয়াত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আহিছে কৰ্মী সহায়িকা সন্থাই। বিগত দিনত সন্থাৰ তৰফৰ পৰা চৰকাৰৰ ওচৰত বিভিন্ন দাবীৰে আন্দোলন কৰাৰ পিছতো একো সমাধান নহ'ল বুলিও কৰ্মী-সহায়িকা সকলে আক্ষেপ প্ৰকাশ কৰিছে।তাৰ পিছতো বিগত কৰ্মীসকলৰ বদলিকৰণৰ লগতে চেন্টাৰসমূহ চামিলকৰণ কৰাত কৰ্মী-সহায়িকাসকলৰ মাজত এক অসন্তুষ্টিকৰ পৰিৱেশৰ সৃষ্টি হৈছে। ইফালে সাধাৰণ মাননিৰে কৰ্মী-সহায়িকাসকলৰ পৰিয়ালে কোনো মতে জোৰা-টাপলি মাৰি চলি আছে। তাতে আকৌ এতিয়া বিভাগে একোগৰাকী কৰ্মী সহায়িকাক আগৰ চৰকাৰী নিয়মক অংগুষ্ঠ দেখুৱাই দূৰলৈ বদলি কৰাৰ ফলত নিতৌ যাতায়াতৰ ক্ষেত্ৰত ৫০ ৰ পৰা ১৫০ টকা পৰ্যন্ত খৰচ কৰিব লগাত পৰিছে। কাৰ্যালয়টোত সংঘটিত এনে অনিয়ম জিলা আয়ুক্তক তৎকালে তদন্ত কৰাৰ বাবে এচাম ভুক্তভোগী কৰ্মী-সহায়িকাই দাবী জনাইছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# পৰ্যটকক ন-ৰূপত আদৰিবলৈ সাজু

আহোম ৰাজত্বৰ প্ৰথমটো স্থায়ী ৰাজধানী তথা পৰৱৰ্ত্তী সময়ত স্বৰ্গদেউ সকলৰ পবিত্ৰ সমাধিস্থলীত পৰিণত হোৱা চৰাইদেউ মৈদাম ক্ষেত্ৰৰ আন্তঃগাথঁনি উন্নয়ন তথা সৌন্দৰ্যবৰ্ধনৰ জৰিয়তে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ ইতিমধ্যে ৰাজ্যিক প্ৰত্নতত্ব বিভাগে অহৰহ চেষ্টা অব্যাহত ৰাখিছে প্ৰতিদিনে। ইফালে অহা ২৬ নৱেম্বৰৰপৰা ২৯ নৱেম্বৰলৈকে কাজিৰঙাত অনুষ্ঠিত হ'ব লগীয়া ইণ্টাৰনেচনেল টুৰিজিম মাৰ্টত অংশগ্ৰহণৰ উদ্দেশ্যে আহিবলগীয়া বিভিন্ন দেশৰ দুই শতাধিক পৰ্যটক, পৰ্যটন বিভাগৰ বিষয়া-কৰ্মচাৰী সকলক আদৰিবলৈও প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছে চৰাইদেউ মৈদাম ক্ষেত্ৰত। মন কৰিবলগীয়া যে, চলিত বৰ্ষত চৰাইদেউ মৈদাম ক্ষেত্ৰক ইউনেস্ক'ৰে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যদা প্ৰদান কৰাৰ পাছত ইতিমধ্যে যথেষ্ট সংখ্যক বিদেশী পৰ্যটকৰ আগমণ ঘটিছে চৰাইদেউলৈ। প্ৰত্নতত্ত্ব বিভাগৰ সঞ্চালিকা ড° দীপিৰেখা কুলি আৰু উপ সঞ্চালক ড° নৱজিৎ দেউৰীয়ে জানিবলৈ দিয়া অনুসৰি বিগত বৰ্ষসমূহৰ তুলনাত এইবাৰ দেশী পৰ্যটকৰ সমান্তৰালকৈ বিদেশী পৰ্যটকৰ সংখ্যাও বৃদ্ধি পাইছে। আনহাতে আগন্তুক ডিচেম্বৰ-জানুৱাৰী মাহত বনভোজৰ বাবে অহা লোকসকলেও মৈদাম ক্ষেত্ৰত যথেষ্ট ভিৰ কৰিব বুলি আশা কৰা হৈছে বুলিও মন্তব্য আগবঢ়ায় সংবাদ মাধ্যমৰ আগত। পৰ্যটকৰ সুবিধা হোৱাকৈ প্ৰত্নতত্ব বিভাগে চৰাইদেউ মৈদাম ক্ষেত্ৰ সৰ্বাংগ সুন্দৰ কৰি সজাই তোলাৰ লগতে বয়োজ্যেষ্ঠ লোকৰ সহায়ক হোৱাকৈ সীমিত সংখ্যক হুইলচেয়াৰো ব্যৱস্থা কৰিছে যাতে মৈদাম সমূহ দৰ্শন কৰিব পাৰে সকলোৱে। ইফালে সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰেও চৰাইদেউ মৈদাম ক্ষেত্ৰলৈ দেশী-বিদেশী পৰ্যটক আগমণৰ সংখ্যা বৃদ্ধিত সন্তোষ প্ৰকাশ কৰাৰ লগতে আগন্তুক দিনত আৰু অধিক পৰ্যটকৰ সংখ্যা বৃদ্ধি হ'ব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশেষ উদ্যোগ গ্ৰহণ কৰা বাবেই চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ অন্তৰ্ভুক্তিৰ বাবে ইউনেস্কোলৈ দেশৰ একমাত্ৰ মনোনয়ন হিচাপে প্ৰেৰণ কৰা বুলি দোহাৰি বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা দেশৰ প্ৰধানমন্ত্ৰীক পুনৰ কৃতজ্ঞতা জ্ঞাপন কৰে। চৰাইদেউ মৈদাম সংৰক্ষণৰ বাবে স্থানীয় একাংশ সমাজ সচেতন লোকে দীৰ্ঘদিন ধৰি অহৰহ চেষ্টা অব্যাহত ৰখাৰ ফলশ্ৰুতিত চৰাইদেউ মৈদাম ক্ষেত্ৰই বিশ্ব ঐতিহ্যৰ স্বীকৃতি লাভে কেৱল আহোম সকলকেই নহয় সমগ্ৰ অসমীয়া জাতিক বিশ্বৰ বুকুত পুনৰ প্ৰতিষ্ঠা কৰিলে বুলি মন্তব্য কৰে বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে। এই স্বীকৃতিৰ পাছত এতিয়া পৰ্যটন ক্ষেত্ৰত চৰাইদেউৰ বহু যুৱক-যুৱতীয়ে আত্মসংস্থাপনৰ সুবিধা লাভ কৰাৰ ওপৰিও উন্নয়নৰ ধাৰা দ্ৰুত হ'ব বুলি মন্তব্য কৰি এই ক্ষেত্ৰত চৰকাৰক স্থানীয় লোকসকলে সহযোগিতা আগবঢ়াব লাগিব বুলি কয়। চৰাইদেউ মৈদাম ক্ষেত্ৰ পৰিদৰ্শনৰ বাবে আহিবলগীয়া পৰ্যটকসকলক যাতে সকলোৱে আন্তৰিকতাৰে আদৰণি জনায় তাৰ কামনা কৰে বিধায়ক গৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বঙাইগাঁৱত দুৰ্ঘটনাত নিহত পিতৃ-কন্যা

হৈ পৰিছে। জৰাজীৰ্ণ বাট-পথ এতিয়া মৃত্যুদূত হৈ পৰিছে। নিতৌ কৰুণ দুৰ্ঘটনা সংঘটিত হৈ একো একোটা পৰিয়াল ধ্বংস হৈ গৈছে। আজিও নামনি অসমৰ বঙাইগাঁৱত এক ভয়ংকৰ পথ দুৰ্ঘটনাত পিতৃ, কন্যাই একেলগে প্ৰাণ হেৰুওৱাত এটা পৰিয়াল নিঃশেষ হৈ গ'ল। বঙাইগাঁৱৰ বইটামাৰীত মটৰচাইকেলে কন্যাক স্কুলত থবলৈ যোৱাৰ সময়তে উদণ্ড চালকে বাছেৰে খুন্দা মৰাৰ ফলত পিতৃ-কন্যাই একেলগে প্ৰাণ হেৰুৱাই। বঙাইগাঁৱৰ তালগুৰিৰ শিক্ষক নাছিৰুল্লাহ আহমেদ আৰু তেওঁৰ নৱম শ্ৰেণীৰ ছাত্ৰী কন্যা শ্বাহনাজ আহমেদে প্ৰাণ হেৰুৱাই। এখন আলট্ৰা বাছে খুন্দা মৰাত ভয়ংকৰ কাণ্ড সংঘটিত হোৱাৰ পাছতে উত্তেজিত ৰাইজে পথ অৱৰোধ কৰি বাছখনত আক্ৰমণ কৰে। ফলত উত্তেজনাই বিয়পি পৰে। উত্তেজিত ৰাইজে পথৰ ওপৰতে বাছখনৰ গ্লাছ, ভাঙি পিছত অগ্নিসংযোগ কৰে। আৰক্ষীয়ে বহু কষ্ট কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলগীয়া হয়। জানিব পৰা মতে, বঙাইগাঁৱৰ তালগুৰিৰ শিক্ষক নাছিৰুল্লাহ আহমেদ আজি পুৱা নৱম শ্ৰেণীত অধ্যয়নৰত কন্যাক বহলপুৰৰ এছএফএছ বিদ্যালয়ত থবলৈ আহি আছিল। তেনে সময়তে ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ বইটামাৰীত গুৱাহাটী অভিমুখে আহি থকা তীব্ৰ গতিৰ আলট্ৰা বাছ এখনে শিক্ষকজনৰ মটৰচাইকেল মহতিয়াই নিয়ে। ফলত নাছিৰুল্লাহ আহমেদ আৰু কন্যা দেহ মঙহ ৰাস্তাত পৰি ৰয়। একাংশ লোকে দৌৰা-দৌৰি কৰি আহি পিতৃ-কন্যাক উদ্ধাৰ কৰিছিল যদিও তেতিয়ালৈকে প্ৰাণবায়ু উৰি গৈছিল। তীব্ৰগতিৰে অহা আলট্ৰা বাছখনৰ খুন্দাত পিতৃ-কন্যা নিহত হোৱাৰ খবৰ বিয়পি পৰাত একাংশ লোকে উত্তেজিত হৈ পথ অৱৰোধ কৰে আৰু বাছখনৰ ক্ষতিসাধন কৰে। পিছত বাছখনত জুই লগাই দিয়ে। ফলত কেইবা ঘণ্টা ধৰি যান-জঁট লাগে ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ বইটামাৰীত। বাছখনৰ চালকৰ লগতে আন ৫গৰাকী যাত্ৰী আহত হৈছে। একাংশ লোকে অভিযোগ কৰা মতে, ধুবুৰীৰ পৰা গুৱাহাটী অভিমুখে আহি থকা বাছখনে ভুল পথেৰে আহি আছিল। চালকজনৰ মইমতালিৰ বাবে পিতৃ-কন্যা নিহত হয়। আনহাতে, প্ৰশাসনৰ বিৰুদ্ধে ক্ষোভ জাহিৰ কৰে ৰাইজে। ৰাইজে কয় যে আৰক্ষী আৰু প্ৰশাসনৰ নিয়ন্ত্ৰণ নাই বুলি চালকসকলে ভুল পথেৰে গাড়ী চলায়। বঙাইগাঁও জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষক ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। নাকা চেকিং আৰু পথ সুৰক্ষা সুনিশ্চিত কৰাৰ আশ্বাস দিয়ে। শিক্ষক নাছিৰুল্লাহ আহমেদ আৰু তেওঁৰ নৱম শ্ৰেণীৰ ছাত্ৰী কন্যা শ্বাহনাজ আহমেদৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বন্দে ভাৰত লাগে এপিডব্লিউক

অশ্বিনী বৈষ্ণৱলৈ এখন পত্ৰ প্ৰদান কৰি গুৱাহাটী-ডিব্ৰুগড় সংযোগী ৰে'লপথত বন্দে ভাৰত এক্সপ্ৰেছ সেৱা আৰম্ভ কৰিবলৈ দাবী উত্থাপন কৰিছে। কেন্দ্ৰীয় ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু দুই ৰাজ্যিক ৰে'ল মন্ত্ৰীক পত্ৰ প্ৰেৰণ কৰা পত্ৰত অসম পাব্লিক ৱাৰ্কছে কয় যে গুৱাহাটী-ডিব্ৰুগড় সংযোগী ৰে'লপথত বন্দে ভাৰত এক্সপ্ৰেছ দৈনিক আৰু সপ্তাহত ৬ দিন চলাচল কৰোৱাৰ ব্যৱস্থা কৰা হওক। যাত্ৰীয়ে গুৱাহাটীত কাম সম্পন্ন কৰি নিশা ১০ বজাত পুনৰ ডিব্ৰুগড় পাব পৰাৰ সুবিধা কৰি দিয়াৰ দাবী জনাই ৰে'লমন্ত্ৰীক পত্ৰযোগে আহ্বান জনায়। নিউ জলপাইগুৰি-গুৱাহাটীৰ মাজত সপ্তাহত ৬ দিন বন্দে ভাৰত এক্সপ্ৰেছ চলাচলৰ কৰাৰ দৰেই গুৱাহাটী-ডিব্ৰুগড়ৰ মাজত চলাচল কৰোৱাই উজনি অসমবাসীক সকাহ দিব বুলি আশা কৰিছে সংগঠনটোৱে। উল্লেখ্য যে অসমত সম্প্ৰতি কেবাখনো ৰে'ল বন্ধ কৰি দিয়া হৈছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# শিৱসাগৰ জিলাত আৰক্ষীৰ ছুটী বাতিল

কিছুদিন ধৰি বিদ্ৰোহী সংগঠনে শিৱসাগৰক শক্তি প্ৰদৰ্শনৰ অভিকেন্দ্ৰত পৰিণত কৰিছে। বিগত বৰ্ষৰ ৯ ডিচেম্বৰত জয়সাগৰৰ চিআৰপিএফৰ মুখ্য শিবিৰত গ্ৰেণেড আক্ৰমণৰ পিছতেই চলিত বৰ্ষৰ ১৫ আগষ্টৰ দিনা শিৱসাগৰ চহৰৰ মাজমজিয়াৰ বি জি ৰোড আৰু দৰিকাপাৰত দুটাকৈ শক্তিশালী আইইডি উদ্ধাৰ হৈছিল। ইয়াৰ পিছতেই আলফা স্বাধীনৰ দ্বাৰা অ'এনজিচিৰ পাঁচ বিষয়াক যোৱা ৬ অক্টোবৰৰ সন্ধিয়া দলবদ্ধ অপহৰণৰ এক ভয়ংকৰ ষড়যন্ত্ৰ আৰক্ষী প্ৰশাসনে ব্যৰ্থ কৰি দিয়াৰ লগতে মুঠ ৭ জনীয়া এটা লিংকমেনৰ দলক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল। কিন্তু আলফা স্বাধীন বনাম শিৱসাগৰ আৰক্ষীৰ এই যুযুধান পৰিস্থিতিৰ মাজতেই যোৱা ১০ নৱেম্বৰৰ সন্ধিয়া নগৰৰ মাজমজিয়াৰ দলমুখ চাৰিআলিৰ জিলা পুথিভৰালৰ সন্মুখৰ এখন ঘুমতিৰ পদূলীৰ পৰা এটা শক্তিশালী আই ই ডি উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। ইতিমধ্যে অ'এনজিচিৰ বিষয়া অপহৰণ ষড়যন্ত্ৰৰ লগত জড়িত লিংকমেন চক্ৰটোৱে আৰক্ষীৰ জেৰাত আগন্তুক প্ৰতিবাদ দিৱসৰ পূৰ্বে শিৱসাগৰত যি কোনো কূটাঘাত ৰূপায়ণৰ বাবে সৰ্বশক্তি প্ৰয়োগ কৰিব বুলি স্বীকাৰোক্তি প্ৰদানৰ সময়তেই দলমুখ চাৰিআলিত উদ্ধাৰ হৈছিল শক্তিশালী আইইডিটো। যাৰ পৰিপ্ৰেক্ষিতত শিৱসাগৰ জিলা আৰক্ষী প্ৰশাসনে সকলো আৰক্ষী প্ৰশাসনৰ কৰ্মচাৰী-বিষয়াৰ ছুটী অহা অহা ১ ডিচেম্বৰ পৰ্যন্ত বাতিল কৰিছে। ইয়াৰোপৰি সম্ভাব্য কূটাঘাতৰ আশংকা প্ৰকাশ কৰি আজিৰে পৰা শিৱসাগৰ চহৰখনত সৰ্বাধিক সতৰ্কতা আৰু সুৰক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। জানিব পৰা মতে আজি বিয়লিৰে পৰা চহৰখনৰ মুঠ ১৩ টা ৱাৰ্ডতেই আৰক্ষীৰ ৪ জনীয়া একো একোটা দলক নিয়োগ কৰিছে। মূলত এই দলসমূহে বিভিন্ন স্থানত থকা পৰিত্যক্ত দুচকীয়া যান-বাহন, ডাম্পিং স্থান, পৰিত্যক্ত গৃহ সমূহত চোকা নজৰ ৰাখিব। একে সময়তে শিৱসাগৰ আৰক্ষীৰ আন কেইবাটাও দলে চহৰখনত তীব্ৰ তালাচী অভিযান আৰম্ভ কৰা পৰিলক্ষিত হৈছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# লম্পট স্বামীৰ বিৰুদ্ধে গোচৰ দি

স্বামীৰ অত্যাচাৰৰ বলি হোৱা লীনা শৰ্মা সম্প্ৰতি কামপুৰস্থিত পিতৃ গৃহত শিশু সন্তানটিসহ লৈ আশ্ৰয় লৈছে। প্ৰাপ্ত অভিযোগমতে কামপুৰৰ পাচনিজাৰৰ নিবাসী লীনা শৰ্মাই কঠীয়াতলীৰ জ্যোতি নগৰৰ বিকাশ শৰ্মাৰ লগত ১২ বছৰ পূৰ্বে প্ৰেম বিবাহত আৱদ্ধ হৈছিল। তাৰ পিছত লীনা শৰ্মাৰ গৰ্ভত এটি সন্তান স্থিতি লোৱা গম পাই স্বামী বিকাশ শৰ্মা আৰু শাহুৱে সন্তানটিক নষ্ট কৰিবলৈ নানান চল-চাতুৰিত লিপ্ত হয়। সন্তানটি নষ্ট নকৰি লীনাই পিতৃ গৃহলৈ গুচি আহি এটি ছোৱালী সন্তান জন্ম দিছিল। ইয়াৰ পিছতে কৰ্মসূত্ৰে গুৱাহাটীৰ নুনমাটিত থকা বিকাশে ফেচবুকত কেবাটাও ফেক একাউন্ট খুলি পত্নী লীনাক অশুভনীয় বাৰ্তা পঠিয়াই লীনাৰ চৰিত্ৰ বেয়া বুলি নানান কূট-কৌশল অৱলম্বন কৰে। ইপিনে লম্পট চৰিত্ৰৰ বিকাশ শৰ্মাই গোপনে আন এগৰাকী মহিলাৰ লগতো অবৈধ সম্পৰ্ক গঢ়ি তোলা কথাটো লীনাই জানিব পাৰে। লম্পট স্বামী বিকাশে মাজে-সময়ে নিজ ঘৰতে আহি পত্নীৰ ওপৰত অযথা মাৰপিট কৰাৰ গুৰুতৰ অভিযোগো উত্থাপন হৈছে। কিছু দিন পূৰ্বে লীনাই স্বামীৰ সৈতে সন্তানটিক লগত লৈ শুই থকা অৱস্থাত এটি সৰু ভিডিঅ' বনোৱাত বিকাশে লীনাক গুৰুলা-গুৰুলকৈ মাৰপিট কৰি অত্যাচাৰ চলায়। উপায়হীন হৈ লীনাই কঠীয়াতলী আৰক্ষী চকীত আহি এজাহাৰ দিয়াত পুলিচে লীনাক লগত লৈ বিকাশ শৰ্মাক আটক কৰি থানাত নি কিছু দাবী-ধমকি দি স্বামী-স্ত্ৰীক মিলাই দিয়ে। আৰক্ষীয়ে বিকাশৰ শাৰীৰিক পৰীক্ষা কৰি পত্নীৰ লগত সুখৰ সংসাৰ কৰিবলৈ পৰামৰ্শ দি পত্নীৰ সৈতে সুস্থ শৰীৰে পত্ৰত স্বাক্ষৰ ৰাখি বিকাশৰ মাতৃৰ উপস্থিতিত ঘৰলৈ যাবলৈ দিয়ে। কিন্তু পুলিচে বিকাশক মাৰপিট কৰি হাত-ভৰি ভাঙি পংগু কৰিছে বুলি প্ৰায় দুদিন পিছত মিছা অভিযোগ তুলি এটা ৱেব পৰ্টেলত আৰু দুই এটা সংবাদ মাধ্যমত বাতৰি পৰিৱেশন কৰোৱাৰো অভিযোগ উঠিছে। লগতে আৰক্ষীয়ে স্বামী বিকাশ শৰ্মাক মাৰপিট কৰাৰ কথাটো ৰাজহুৱা কৈ স্বীকাৰ নকৰিলে পত্নী লীনাক বিকাশে গ্ৰহণ নকৰে বুলি উল্লেখ কৰি চৰম ভাবুকি দিয়ে। আনকি বিকাশে গুৱাহাটীৰ অবৈধ পত্নীৰ লগত মিলি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা বিবাহ বিচ্ছেদৰ পত্ৰ পঠিয়াই নানান মানসিক হাৰাশাস্তি কৰিছে বুলি জানিবলৈ দিছে ভুক্তভোগী লীনাই।

৬নং পৃষ্ঠাৰ পৰা...

## গৌৰৱ গগৈয়ে মহানগৰীৰ নলাত

তেতিয়া স্বাস্থ্য বিভাগ তথা কামৰূপ মহানগৰ জিলা প্ৰশাসনে গুৱাহাটীৰ কেইবাটাও এলেকাৰ লোকক সতৰ্ক কৰিছিল। জুৰোডৰ ভাস্কৰনগৰ, কাৰ্বিপথ, অম্বিকাগিৰিনগৰ, কাৰ্বিপথ, বামুণীমৈদামক ৰে'লৱে কলনীবাসীক সতৰ্ক কৰা হৈছিল। তাৰ মাজতে অসম প্ৰদেশ কংগ্ৰেছে হাতত লৈছে বিশেষ কাৰ্যসূচী। নিউ গুৱাহাটী সমষ্টিৰ অন্তৰ্গত ভাস্কৰনগৰ উন্নয়ন সমিতি আৰু অসম প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি নৱজ্যোতি তালুকদাৰৰ উদ্যোগত আজি জু-ৰোডৰ ভাস্কৰনগৰত ডেংগু ম'হ প্ৰতিৰোধৰ বাবে ঔষধ ছটিওৱা কাৰ্যসূচী হাতত লৈছে। আজি এই ঔষধ ছটিওৱা কাৰ্যসূচী উদ্বোধন কৰে যোৰহাটৰ সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে। প্ৰথমে শ্ৰীশ্ৰী মদনমোহন ও শিৱ মন্দিৰ প্ৰাংগনত এখন সজাগত সভা অনুষ্ঠিত হয়। সজাগতা সভাত ডেংগুৰ পৰা কেনেকৈ হাত সাৰিব পৰা যায় সেই সন্দৰ্ভত বিভিন্নজনে বক্তব্য ৰাখে। ডেংগুৰ সংক্ৰমণ ৰোধৰ বাবে অসম প্ৰদেশ কংগ্ৰেছে হাতত লোৱে ঔষধ ছটিওৱা কাৰ্যসূচী মুকলি কৰু সাংসদ গৌৰৱ গগৈয়ে ভাস্কৰনগৰৰ পথ নিৰ্মাণত ভূমি বিবাদ, ভাস্কৰনগৰত নিশা পোহৰৰ ব্যৱস্থা আৰু ডেংগুৰ সংক্ৰমণৰ বিষয়ে নাগৰিকসকলৰ সৈতে মত-বিনিময় কৰে। ঔষধ ছটিওৱা কাৰ্যসূচী মুকলি কৰি গৌৰৱ গগৈয়ে ৰাজ্য চৰকাৰক তীব্ৰ সমালোচনা কৰে। গৌৰৱ গগৈয়ে কয় যে যিকেইটা এলেকাক ডেংগুৰ বাবে ৰেডজন কৰিছে সেইটা এলেকাৰ ৰাইজৰ সৈতে আজি সজাগতা সভা কৰিছো। ভাস্কৰনগৰ উন্নয়ন সমিতিয়ে বিশেষ উদ্যোগ লৈছে। কিন্তু দুৰ্ভাগ্যজনক যে এই অঞ্চলটোত প্ৰতিবছৰে ডেংগু যে হয় সেই কথা সকলোৱে জানে। কিন্তু চৰকাৰ তথা মুখ্যমন্ত্ৰীয়ে যিধৰণে তৎপৰতা দেখুৱাব লাগে তেনে তৎপৰতা নেদেখাই। মুখ্যমন্ত্ৰীয়ে ঝাৰখণ্ডৰ নিৰ্বাচনত ব্যস্ত থকাৰ বাবে গুৱাহাটীৰ বাবে যি প্ৰস্তুতি চলাব লাগিছিল, প্ৰশাসনক যেনেদৰে ব্যৱহাৰ কৰিব লাগিছিল তেনেদৰে কাম কৰা নহ'ল। মুখ্যমন্ত্ৰীয়ে ঝাৰখণ্ডত ব্যস্ত থকাত আজি গুৱাহাটীত ডেংগুৰ সমস্যা বৃদ্ধি পাইছে। যদি চৰকাৰে প্ৰশাসনক আগতীয়াকৈ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিলেহেঁতেন তেন্তে এনে সমস্যা নেদেখিলোহেঁতেন। চাফ-চিকুণ তথা ডেংগুৰ বিৰুদ্ধে ল'বলগীয়া ব্যৱস্থা নোলোৱাৰ অভিযোগ আনে গৌৰৱে।

৬নং পৃষ্ঠাৰ পৰা...

## অসমক লৈ দিল্লীত বিজেপিৰ বিশেষ

অসমত তৃতীয়বাৰ চৰকাৰ গঠনৰ লক্ষ্যৰে বিজেপিয়ে কেৱল সাংগঠনিক গতি-বিধিয়ে নহয় নিৰ্বাচনৰ দীৰ্ঘম্যাদী ইচ্ছা যে হিন্দু-মুছলমান হ'ব সেয়া স্পষ্ট হৈছে। ইতিমধ্যে কৰিমগঞ্জ জিলাৰ নাম সলাই শ্ৰীভূমি কৰিছে। লগে লগে বিজেপিয়ে এনে কাম-কাজ কৰি যাব য'ত হিন্দু-মুছলমান বিষয়টো জীয়াই থাকে। ইয়াৰ মাজতে ২০২৫ চন আৰু ২০২৬ চনত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসমূহক গুৰুত্ব দি বিজেপিয়ে দিল্লীত অনুষ্ঠিত কৰিছে বিশেষ সাংগঠনিক বৈঠক। দিল্লীৰ বৈঠকত অসমৰ পৰা প্ৰতিনিধি হৈ গৈছে কেবাগৰাকী নেতা। বিজেপিৰ গুৰুত্বপূৰ্ণ সাংগঠনিক সভা ৰাজ্যিকসভাপতি ভবেশ কলিতা, বিধানসভাৰ উপাধ্যক্ষ নোমল মমিন, তপন গগৈ, অশোক সিংহল, নৰ দলে, মিছন ৰঞ্জন দাস, অসমৰ প্ৰভাৰী হৰিশ দ্বিবেদী আৰু ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষ উপস্থিত থাকে। সভাত অসমক লৈ আলোচনা কৰা বুলি জানিব পৰা গৈছে। এই বৈঠকৰ পিছতে অসমত মন্ত্ৰী সভাৰ সম্প্ৰসাৰণ হ'ব। যদি ভবেশ কলিতাই মন্ত্ৰীত্ব লাভ কৰে তেন্তে সভাপতি পদ এৰিব। তেতিয়া সভাপতি কোন হ'ব তাক লৈ চৰ্চা হোৱা বুলি জানিব পৰা গৈছে। অসমত পুৰণি বিজেপিক উপেক্ষা হোৱা বিষয়টোকলৈও আলোচনা হ'ব পাৰে বুলি এটা সূত্ৰই প্ৰকাশ কৰিছে। এই বৈঠকত চৰকাৰৰ কাম-কাজক লৈয়ো আলোচনা হ'ব পাৰে।

৬নং পৃষ্ঠাৰ পৰা...

## হোজাইৰ বজাৰত ঔষধৰ মুকলি বেহা

জিলাখনত কিছুদিনৰ পৰা ব্যাপক প্ৰতিক্ৰিয়া চলি থকাৰ মাজতেই আজি মোৰাঝাৰ দেৰস্থান সাপ্তাহিক বজাৰত ঔষধ পৰিদৰ্শক বিপুল বিশ্বাসৰ নেতৃত্বত অভিযান চলাই বৃহৎ পৰিমাণৰ ঔষধ জব্দ কৰিবলৈ সক্ষম হয়। জিলাখনৰ অধিকাংশ সাপ্তাহিক হাট-বজাৰত শুকান মাছৰ ধৰে বিক্ৰী হৈ আহিছে ঔষধ। সাধাৰণ মানুহৰ জীৱনক লৈ হেতালি খেলা অশিক্ষিত একাংশ লোকে অনুজ্ঞাপত্ৰ অবিহনে জধে-মধে দোকান খুলি ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰাখিছে। এনে পৰিপ্ৰেক্ষিততে আজি মোৰাঝাৰ আৰক্ষী, স্বাস্থ্য বিভাগৰ কৰ্মচাৰীসহ ঔষধ পৰিদৰ্শক বিপুল বিশ্বাসৰ নেতৃত্বত দেৰস্তান বজাৰত অভিযান চলাই ডবকাৰ আশ্বিক উদ্দিন, চেলিম উদ্দিন আৰু নীলবাগানৰ নাজিম উদ্দিনৰ পৰা বৃহৎ পৰিমাণৰ ঔষধ জব্দ কৰে যদিও নীলবাগানৰ নাজিম উদ্দিনে পলায়ন কৰিবলৈ সক্ষম হয়। চিকিৎসা বিজ্ঞানৰ অ-আ-ক-খ নজনাকৈ তথা ফাৰ্মাচিষ্টৰ পাঠ্যক্ৰম নপঢ়াকৈ একাংশ লোকে এনেধৰণে মুকলিকৈ শুকান মাছৰ ধৰে ঔষধ বিক্ৰী কৰা ঘটনাক লৈ সচেতন লোকে উদ্বেগ প্ৰকাশ কৰিছে। জিলাখনৰ অধিকাংশ সাপ্তাহিক বজাৰত ধাৰাবিহিকভাৱে অভিযান চলিব বুলি স্বাস্থ্য বিভাগে জানিবলৈ দিয়ে। স্বাস্থ্য বিভাগৰ এই অভিযানক স্থানীয় লোকসকলে আদৰণি জনাইছে।

# ৰঙিয়াৰ কৰৰা গড়ভিতৰ মধ্য ইংৰাজী বিদ্যালয়ত সামূহিক উৎসৱ




**ই-সংবাদ, ৰঙিয়া, ২২ নৱেম্বৰঃ** ৰঙিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত কৰৰা গড়ভিতৰ মধ্য ইংৰাজী বিদ্যালয়ত সমগ্ৰ শিক্ষা অভিযান কামৰূপৰ সৌজন্যত কালিৰে পৰা সামূহিক উৎসৱ অনুষ্ঠিত হৈছে। তৰণী মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত ৰূপায়িত কাৰ্যসূচীৰূপে কালি প্ৰতিযোগিতামূলক খেল-ধেমালি অনুষ্ঠিত কৰাহয়। আনহাতে আজি দ্বিতীয় দিনৰ কাৰ্যসূচীৰূপে পুৱা সামূহিক উৎসৱৰ পতাকা উত্তোলন কৰে সভানেত্ৰী মেহৰুন নেচা বেগমে। ইয়াৰ পিছতে গছপুলি ৰোপন কৰে সমাজসেৱক ৰাজেন ৰাজবংশীয়ে। দিনৰ ভাগত অনুষ্ঠিত শোভাযাত্ৰা উদ্বোধন কৰে কৰৰা গড়ভিতৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক নিৰঞ্জন শালৈয়ে। কাৰ্যসূচীৰ অংশ হিচাপে বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি শুক্লেশ্বৰ কলিতাই দ্বাৰ উন্মোচন কৰা প্ৰদৰ্শনীৰ জৰিয়তে বিভিন্ন পৰম্পৰাগত তথা লোক সংস্কৃতি সমৃদ্ধ সাজপাৰ, অলংকাৰকে ধৰি বিজ্ঞানভিত্তিক আৱিস্কাৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিনাকি কৰি দিয়াৰ পদক্ষেপ গ্ৰহণ কৰা হয়। আনহাতে দিনৰ ১২ বজাৰ পৰা অনুষ্ঠিত কৰা হয় মুকলি তথা বঁটা বিতৰণী সভা। অৱসৰপ্ৰাপ্ত শিক্ষক বংশীধৰ বৰ্মণৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত সদৌ অসম মধ্য ইংৰাজী শিক্ষক সন্থাৰ প্ৰধান সম্পাদক অতুল চন্দ্ৰ দাস, ৰঙিয়া জিলা মধ্য ইংৰাজী শিক্ষক সন্থাৰ সম্পাদক চৈয়দ মিয়দুল ইছলাম প্ৰমুখ্যে আন কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।সভাৰ অন্তত শ্ৰেষ্ঠ প্ৰতিযোগীসকলৰ মাজত বঁটা বিতৰণ কৰা হয়। সভাৰ মাজতে ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সাংস্কৃতিক অনুষ্ঠানে সকলোকে আপ্লুত কৰে।

# নলবাৰীৰ ৯১ সংখ্যক ৰাস দৰ্শন মন্ত্ৰী অতুল বৰাৰ

**ই সংবাদ, নলবাৰী, ২২ নৱেম্বৰঃ** ভক্তিৰসৰ মধুৰ সমন্বয়েই ৰাসলীলা। শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা ৰাসলীলা মাজুলীবাসীৰ বাবে মুখ্য উৎসৱ। মূলত: আধ্যাত্মিক তত্ত্বসমৃদ্ধ ৰাসলীলা অসমৰ বিভিন্ন প্ৰান্তত উদযাপন কৰা হয় যদিও মাজুলীৰ ৰাসলীলাত হোৱা আড়ম্বৰপূৰ্ণ অনুষ্ঠানে সুকীয়া বৈশিষ্ট্য বহন কৰা সমান্তৰাল ভাৱে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে নলবাৰীৰ ৰাসৰো সুকিয়া বৈশিষ্ট্য আছে।এই মন্তব্য অসমৰ কৃষি মন্ত্ৰী অতুল বৰাৰ। আজি নিশা অৰ্থাৎ শুক্ৰবাৰে ঐতিহ্যমণ্ডিত শ্ৰী শ্ৰীহৰি মন্দিৰ,নলবাৰীৰ ৯১ সংখ্যক ৰাসত মন্ত্ৰী অতুল বৰাই উপস্থিত হৈ ৰাস মহোৎসৱৰ দৰ্শন কৰি অভিভূত হৈ পৰে। আজি অষ্টম দিনা ৰাজ্য চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰাই উপস্থিত হৈ ৰাস উপভোগ কৰে। ইয়াৰ পিছতে ৰাস মঞ্চৰ পৰা অসমবাসীলৈ ৰাস মহোৎসৱৰ শুভেচ্ছা জ্ঞাপন কৰে। মন্ত্ৰী গৰাকীয়ে নিজৰ ভাষণত নলবাৰীৰ ৰাসৰ কথা ছাত্ৰ অৱস্থাতে শুনিছিল বুলি উল্লেখ কৰি নলবাৰীৰ ৰাসত আধ্যাত্মিকে বিৰাজ কৰাৰ লগতে স্থানীয় অৰ্থনিতিতো সু-প্ৰভাৱ পেলাইছে বুলি মন্তব্য কৰে।ৰাস মহোৎসৱ উদযাপন সমিতিৰ সদস্য সুকুমাৰ শৰ্মাই আতঁ ধৰা অনুষ্ঠিত সভাখনত অতিথি হিচাপে উদ্যোগী শ্যাম কানু মহন্তই নিজৰ ভাষণত ভাৰতবৰ্ষৰ বিভিন্ন ৰাস পৰিদৰ্শন কৰিছিল যদিও নলবাৰীৰ ৰাস দৰে উন্নত মানৰ ৰাস কতো দেখা নাই বুলি মন্তব্য কৰে।অনুষ্ঠানত নলবাৰী ৰাস উদযাপন সমিতিৰ সম্পাদক মনোজ চৌধুৰী, অগপৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক দিলীপ কুমাৰ দাস আদিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে ৰাস মহোৎসৱৰ লগত জড়িত বিভিন্ন অনুষ্ঠান উপভোগ কৰাৰ লগতে বানিজ্যি মেলাৰ বিভিন্ন ষ্টল পৰিদৰ্শন কৰে।

# লাহৰীঘাটত ড্ৰাগছসহ এজনক আটক

**ই-সংবাদ, লাহৰীঘাট, ২২ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে অব্যাহত ৰাখিছে ড্ৰাগছৰ বিৰুদ্ধে নিৰন্তৰ অভিযান। পুনৰ লাহৰীঘাট আৰক্ষীৰ জালত পৰে এজন ড্ৰাগছ সৰবৰাহকাৰী। জানিব পৰা মতে, লাহৰীঘাট থানাৰ অন্তৰ্গত ৰৱৰীত আৰক্ষীয়ে অভিযান চলাই এমৰাজুল হক(৩০) নাম এটা সৰবৰাহকাৰীক ড্ৰাগছসহ আটক কৰে। ধৃত সৰবৰাহকাৰীটো পৰা আৰক্ষীয়ে ২০টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰে যাৰ ইয়াৰ আনুমানিক ওজন ১১.২২ গ্ৰাম। বৰ্তমান ড্ৰাগছ সৰবৰাহকাৰীটোক লাহৰীঘাট আৰক্ষীৰ জিম্মাত সোধা-পোছা অব্যাহত ৰাখিছে।

## নিৰ্বাচনী টোপৰ আশাবন্দী জনতাৰ স্বপ্নভংগ, আটছাৰ হুংকাৰ

# আধাৰশিলাতেই থমকি ৰ'ল মাজনৈ বাগিচাৰ মূল পথ

**ই-সংবাদ, মৰিয়নি, ২২ নৱেম্বৰঃ** লোকসভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ অন্তৰ্গত মাজনৈ চাহ বাগিচাৰ লোক নিৰ্মাণৰ অধীনত মাজনৈ চাহ বাগিচাৰ মূল পথটি মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু লোক নিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত আধাৰশিলা স্থাপন কৰা হৈছিল যদিও বৰ্তমানলৈকে পথটি নিৰ্মাণ সম্পৰ্কীয় অগ্ৰগতি শূন্য। আজি চাহ জনজাতি ছাত্ৰ সন্থাৰ টীয়ক শাখাৰ সাহিত্য আৰু শিক্ষা সম্পাদক ৰঞ্জিত চাহানী স্বাক্ষৰিত যোৰহাটৰ লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাক এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। উক্ত স্মাৰক পত্ৰত উল্লেখ কৰে যে উক্ত পথটি নিৰ্মাণৰ বাবে গগৈ উপাধিৰ এজন ঠিকাদাৰক কামৰ আবণ্টন দিয়ে যদিও তেওঁ মূল পথটিৰ কাম সামান্য মাটি পেলাই বন্ধ কৰি ৰাখে। ইয়াৰ ফলত শ্ৰমিক ৰাইজে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হোৱাৰ বিষয়ে বিভাগীয় হাজৰিকা উপাধিৰ কনিষ্ঠ অভিযন্তাজনক বহুবাৰ অভিযোগ দিয়াৰ কথা পত্ৰখনত উল্লেখ কৰাৰ লগতে তেওঁ এই ক্ষেত্ৰত কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে। পত্ৰখনত আটছাই তিনিটা দিনৰ ভিতৰত উক্ত কাম আৰম্ভ নকৰিলে অনতিপলমে বৃহৎ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি পত্ৰখনত উল্লেখ কৰে।



দিল্লীত অনুষ্ঠিত বিজেপিৰ সাংগঠনিক বৈঠকত অসমৰ প্ৰতিনিধি দলটো

# বিহালীৰ উপ-নিৰ্বাচনঃ ভোট গণনাৰ বাবে সাজু বিশ্বনাথ প্ৰশাসন

**ই-সংবাদ, বিশ্বনাথ, ২২ নৱেম্বৰঃ** আগন্তুক ২৩ নৱেম্বৰত হ'ব লগা ৭৭ নং বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোট গণনাৰ বাবে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বিশ্বনাথ জিলা প্ৰশাসনে। কালি বিশ্বনাথৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া মুণীন্দ্ৰ নাথ ঙাটেৰ সভাপতিত্বত ভোট গণনাৰ প্ৰস্তুতি সম্পৰ্কে এখন পৰ্যালোচনা সভাও অনুষ্ঠিত হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত অনুষ্ঠিত সভাখনিত জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰতিটো নিৰ্বাচনী কোষৰ নোডেল বিষয়াৰ পৰা প্ৰস্তুতিৰ বুজ লয়। জিলাখনত ভোটগণনা প্ৰক্ৰিয়া যাতে শান্তিপূৰ্ণভাৱে সম্পন্ন হয় তাৰ বাবে জিলা আয়ুক্তগৰাকীয়ে সকলোৰে সহযোগিতা কামনা কৰে। উল্লেখ্য যে ৭৭ নং বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনা জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰথম মহলাত ৰিটাৰ্ণিং বিষয়াৰ তত্ত্বাৱধানত পুৱা ৮.০০ বজাত আৰম্ভ কৰা হ'ব। এই ভোটগণনা কক্ষত ১২ খনকৈ মেজ(টেবুল) থাকিব আৰু ১৩ টা ৰাউণ্ডত ভোটগণনা কৰা হ'ব। ইয়াৰোপৰি পোষ্টেল বেলটসমূহ এখন মেজ(টেবুল)ত গণনা কৰা হ'ব। প্ৰাপ্ত তথ্য অনুসৰি ভোট গণনাৰ বাবে ১৬ গৰাকী কাউণ্টিং ছুপাৰভাইজাৰ, ১৭ গৰাকী কাউণ্টিং সহায়ক আৰু ১৮ গৰাকী মাইক্ৰ অবজাৰভাৰ নিয়োগ কৰি ইতিমধ্যে যাৱতীয় প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ভোট গণনাৰ সময়ত নিৰ্বাচনী পৰ্যবেক্ষক অমিত খ্‌ট্ৰী উপস্থিত থকাৰ লগতে ভোট গণনা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত মুণীন্দ্ৰ নাথ ঙাটে, দুগৰাকী সহকাৰী ৰিটাৰ্ণিং বিষয়া তথা অতিৰিক্ত জিলা আয়ুক্ত ক্ৰমে ৰাকেশ ডেকা আৰু হৃদয় কুমাৰ দাস উপস্থিত থাকিব। প্ৰনিধানযোগ্য যে বিগত ১৩ নৱেম্বৰত অনুষ্ঠিত হোৱা ৭৭ নং বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত ৭৫.৭৯ শতাংশ ভোটদান হৈছিল, তাৰে ৪৮,৭৭৬ গৰাকী পুৰুষ ভোটাৰে আৰু ৫১,৭০০ গৰাকী মহিলা ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰে। সমষ্টিটোৰ উপ-নিৰ্বাচনত মুঠ ৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

# শিলপোতাবৰী ৰাস মহোৎসৱৰ সামৰণি

**ই-সংবাদ, নলবাৰী, ২২ নৱেম্বৰঃ** আধ্যাত্মিক তথা কিংবদন্তি কাহিনীৰে পৰিপূৰ্ণ পুব নলবাৰী অঞ্চলৰ ধৰ্মীয় অনুষ্ঠান শিলপোতাবৰী গোপাল মন্দিৰ(গুৱাকুছি) প্ৰাংগণত অনুষ্ঠিত হোৱা ৬৯ সংখ্যক সাৰ্বজনীন ৰাস মহোৎসৱৰ সপ্তমদিনা অৰ্থাৎ সামৰণিৰ দিনটোত ভক্ত-দৰ্শনাৰ্থীৰ লানি নিছিগা সোত বোৱা পৰিলক্ষিত হয়। বিভিন্ন জাতি-ধৰ্ম-বৰ্ণ সম্প্ৰদায়ৰ মিলন ক্ষেত্ৰ স্বৰূপ এই পৱিত্ৰ ৰাস মহোৎসৱত অঞ্চলটোৰ উপৰি জিলাখনৰ ভিন্ন প্ৰান্তৰ পৰা ভক্ত আৰু দৰ্শনাৰ্থী অহা দেখিবলৈ পোৱা যায়। বিগত সাতদিন ধৰি এইসকল ভক্ত আৰু দৰ্শনাৰ্থীক মন্দিৰ আৰু ৰাস উদযাপন সমিতিয়ে দিনে-নিশাই সকলো সা-সুবিধাৰ ব্যৱস্থা কৰি দিয়ে বুলি পৰিচালনা সভাপতি ফণীধৰ ডেকা সম্পাদক জিতেন্দ্ৰ শৰ্মা আৰু সহকাৰী সম্পাদক মনোজ ডেকাই জানিবলৈ দিয়ে। ৰাস মহোৎসৱৰ ষষ্ঠদিনৰ বিভিন্ন কাৰ্যসূচীৰ লগতে নিশা নাগাৰা নাম উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী, বিজেপি নেতা, তথা অসম বাণিজ্য উন্নয়ন নিগমৰ উপাধ্যক্ষ মধুৰাম ডেকাই। বিশিষ্ট সমাজকৰ্মীগৰাকীয়ে নাগাৰা নাম উদ্বোধন কৰি ৰাস মহোৎসৱে বিভিন্ন জাতি-বৰ্ণ-ভাষা-ধৰ্মৰ লোকৰ মাজত একতাৰ এনাজৰীডাল সুদৃঢ় কৰি তোলে বুলি মন্তব্য কৰে। অনুষ্ঠানত নলবাৰী জিলা বিজেপিৰ সম্পাদক দ্বীপেন কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষাবিদ যোগেন্দ্ৰ কলিতা, ফণীধৰ ডেকা আদি উপস্থিত থাকে।অন্তিম দিনা অৰ্থাৎ ২১ নৱেম্বৰত নিশা অসমৰ কেইবাগৰাকী শিল্পীৰ গীতেৰে ৰাস মহোৎসৱ সামৰণি পৰে।





## বিজেপিৰ আমোলত মুছলমানৰ শান্তি নোহোৱা হৈছে

# দলগাঁৱত বিজেপি-ইউডিএফৰ বিৰুদ্ধে অখিলৰ ধাৰাবাহিক বিস্ফোৰণ

**ই-সংবাদ, দলগাঁও, ২২ নৱেম্বৰঃ** ২০২৬ ৰ বিধানসভা নিৰ্বাচনলৈ এবছৰ বাকী আছে যদিও আগতীয়াকৈ নিৰ্বাচনী পথাৰত নামি পৰিছে অখিলবাহিনী। যোৱা বৃহস্পতিবাৰে দলগাঁৱৰ শ্যামটিলাত গণ অভিৱৰ্তনত অংশ লৈ বিজেপি আৰু এআইইউডিএফৰ বিৰুদ্ধে সৰৱ হৈ পৰে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈ। দৰং জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত আয়োজিত সভাত অংশ লৈ অখিলে কয় যে বিজেপিৰ আমোলত শান্তি নোহোৱা হৈছে। সাম্প্ৰদায়িক ঘৃণাৰ বাবে মুছলমানসকলে শংকাত দিন পাৰ কৰিব লগা হৈছে। বিজেপিয়ে কেৱল মুছলমানৰ বিৰুদ্ধে বিষবাষ্প বিয়পাই ৰাজনীতি কৰি দেশৰ ঐক্য-সম্প্ৰীতি বিনষ্ট কৰিছে। অসমত এআইইউডিএফে বিজেপিৰ সাম্প্ৰদায়িক ৰাজনীতিৰ ইন্ধন যোগোৱা বুলি অভিযোগ তুলি বিজেপি-এআইইউডিএফ উভয়কে ব্ৰহ্মপুত্ৰ নদীত দলিয়াই দিবলৈ আহ্বান জনোৱাৰ সমান্তৰালকৈ উপস্থিত জনতাক ৰাজহুৱাকৈ শপতবাক্য পাঠ কৰায়। বিজেপি চৰকাৰে অসম তথা ভাৰতৰ শিক্ষা আৰু স্বাস্থ্য খণ্ডক ৰসাতলে নিয়াৰ অভিযোগ তুলি অখিলে কয় যে এইখন চৰকাৰ দুখীয়াৰ চৰকাৰ নহয়। ১১০০ কৈ চৰকাৰী বিদ্যালয় বন্ধ কৰি দৰিদ্ৰ জনসাধাৰণৰ সন্তানক ব্যক্তিগত বিদ্যালয়ত পঢ়াবলৈ বাধ্য কৰিছে। শিক্ষাৰ খৰচ যোগাৰ কৰিব নোৱাৰা বাবে বহু শিক্ষাৰ্থী আধাতে শিক্ষা সামৰি বহিঃৰাজ্যলৈ কাম কৰিবলৈ গৈছে, ফলত বিদ্যালয় এৰাৰ হাৰে অভিলেখ গঢ়িছে। আনহাতে, স্বাস্থ্য খণ্ডৰ অৱস্থা অতি পুতৌলগা বুলি কয় অখিলে। কেৱল স্বাস্থ্য কেন্দ্ৰৰ নামত গৃহ কেইটাহে আছে, পৰ্যাপ্ত ডক্টৰ, নাৰ্চ, ঔষধ আৰু চিকিৎসা, সা-সৰঞ্জামৰ অভাৱত মানুহ মৃত্যুক আঁকোৱালি ল'ব লগা হৈছে। অৰ্থনৈতিকভাৱে ৰাজ্যখনক ভাৰতৰ শীৰ্ষ পাঁচখন ৰাজ্যত পৰিগণিত কৰাৰ সপোন দেখুওৱা হিমন্ত চৰকাৰ ধাৰত পোত গৈছে। বিগত দিনত কংগ্ৰেছ, অগপ আৰু এআইইউডিএফ দলৰ বিধায়কে সমষ্টিটোৰ উন্নয়নক পিঠি দিয়াৰ অভিযোগ তুলি এইবাৰ ৰাইজৰ দাবীত দলগাঁৱত ৰাইজৰ দলে নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি প্ৰকাশ কৰি অখিলে কয় যে ২০২৬ ত বিৰোধী মিত্ৰজোঁটে অসমত চৰকাৰ গঠন কৰিব যদিহে কংগ্ৰেছে হঠকাৰী সিদ্ধান্ত নলয়। সমাগত পঞ্চায়ত নিৰ্বাচনতো ঐক্যবদ্ধভাৱে যুঁজ দিয়াৰ কথা দোহাৰি অখিল গগৈয়ে কয় যে এইবাৰ উপ-নিৰ্বাচনত কংগ্ৰেছে অধিক আত্মবিশ্বাসী আৰু অহংকাৰী হৈ অকলে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। আশা কৰা ধৰণে ফলাফল হ'লে আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপিক হুৰুৱাবলৈ সহজ হ'ব।

ইফালে, ভাষণ প্ৰসংগত বিধায়কগৰাকীয়ে দলগাঁৱৰ বিধায়ক মজিবুৰ ৰহমানৰ বিৰুদ্ধে কেবাটাও বিস্ফোৰক অভিযোগ উত্থাপন কৰে। অখিলৰ দাবী-মজিবুৰ হিমন্তৰ এজেন্ট। তেওঁ মুখ্যমন্ত্ৰীৰ চেলা। সদায় মুখ্যমন্ত্ৰীৰ সাম্প্ৰদায়িক মন্তব্যৰ সমৰ্থন কৰে আৰু মই ইয়াৰ বিৰোধিতা কৰিলে মই বহিব লাগে বুলি চিঞৰে। হিমন্তৰ লগত মজিবুৰৰ ভাই-ককাইৰ সম্পৰ্ক, তেওঁ হিমন্তৰ ঘৰত থাকে বুলিও শুনিছোঁ।

# বিশ্বনাথৰ বিহুপুখুৰীত ৰাস মহোৎসৱৰ উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, বিশ্বনাথ, ২২ নৱেম্বৰঃ** বিশ্বনাথৰ বিহুপুখুৰীত ৫৭ সংখ্যক ৰাস মহোৎসৱৰ উদযাপনৰ বাবে প্ৰস্তুতি চলি আছে। বিগত বৰ্ষৰ দৰে এইবাৰো বিহুপুখুৰী চাহ শ্ৰমিক ৰাইজে উদযাপন কৰিব ৰাস মহোৎসৱ। সেই উদ্দেশ্যে এখনি শক্তিশালী ৰাস মহোৎসৱ উদযাপন সমিতিখন গঠন কৰা হয়। সভাপতি হিচাপে ডঃ কিশোৰ হাজৰিকাক নিৰ্বাচিত কৰা হয়। উপ-সভাপতিৰ পদত ৰূপেন নাহকক দায়িত্ব অৰ্পণ কৰা হয়। সাধাৰণ সম্পাদক হিচাপে বুবুল ওৰাং, সহঃ সম্পাদক ৰূপে আনন্দ গোৱালা নিৰ্বাচিত হয়। ধন ভৰালী হিচাপে দায়িত্বত থাকিব কাজল বৰা আৰু ভুবন মাঝি। সাংস্কৃতিক সম্পাদক হিচাপে ৰবীন তচা আৰু ভুৱেন টংলাক দায়িত্ব অৰ্পণ কৰি প্ৰায় ৫১ জনীয়া সদস্য-সদস্যা তথা বিষয়ববীয়াৰে ৰাস মহোৎসৱ উদযাপন সমিতিখন গঠন কৰা বুলি জানিব পৰা গৈছে। ইতিমধ্যে ৰাস মহোৎসৱ উদযাপন সমিতিখনে কাৰ্যক্ৰমণিকাও যুগুত কৰিছে। কাৰ্যক্ৰমণিকা অনুসৰি অহা ৩০ নৱেম্বৰত অনুষ্ঠিত হ'ব লগা ৰাসভাগৰ পুৱা প্ৰায় ৪.৩০ বজাত প্ৰভাত ফেৰীৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। ইয়াৰ পাছত পুৱা ৫ বজাত প্ৰাতঃপ্ৰসংগ। ৮ বজাৰ লগে লগে ৰাস মহোৎসৱ উদযাপন সমিতিৰ সভাপতি ডঃ কিশোৰ হাজৰিকাই ধৰ্মধ্বজা উত্তোলন কৰিব।১০ বজাত দেৰপৰীয়া প্ৰসংগ আৰু দুপৰীয়া ১২ বজাত প্ৰসাদ বিতৰণ কৰিব। সন্ধিয়া ৬ বজাৰ পৰাই আমন্ত্ৰিত অতিথিসকলক সম্বৰ্ধনা জনোৱা হ'ব। ৰাসভাগ পৰিচালনা কৰিব স্নিগ্ধাজ্যোতি হাজৰিকাই। ৰাসভাগৰ মূল অনুষ্ঠান সন্ধিয়া প্ৰায় ৭ বজাত আৰম্ভ হ'ব। ৮ বজাত সূত্ৰধাৰী, ৯ বজাত ভিতৰত হ'ব নৃত্য-নাটিকা। নিশা ১১ বজাত শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ ওপৰত আধাৰিত শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অন্যতম শ্ৰেষ্ঠ নিদৰ্শন কেলিগোপাল নাটভাগ মঞ্চস্থ কৰা হ'ব।

# ৰকিবুল হুছেইনে চামগুৰিত ৰিগিং কৰিব নোৱাৰি আবোল-তাবোল বকিছেঃ দিগন্ত কলিতা

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২২ নৱেম্বৰঃ** ৰকিবুল হুছেইনে দীৰ্ঘদিন ধৰি চামগুৰি সমষ্টিত ব্যাপক ৰিগিং কৰি আহিছিল। ৰকিবুল বাহিনীয়ে চামগুৰিত এইবাৰ ৰিগিং কৰিব নোৱাৰি আবোল-তাবোল বকিছে।- কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই আজি সমষ্টিটোৰ দগাঁৱত এই মন্তব্য প্ৰকাশ কৰে। উপ-নিৰ্বাচনৰ ফলাফলৰ প্ৰাকক্ষণত কংগ্ৰেছে চামগুৰিত বিজেপিয়ে ৰিগিং কৰাৰ যি অভিযোগ উত্থাপন কৰিছে এই অভিযোগৰ প্ৰত্যুত্তৰত কমলপুৰ সমষ্টিৰ বিধায়কগৰাকীয়ে সংবাদ মাধ্যমৰ আগত এই মন্তব্য আগবঢ়ায়। দিগন্ত কলিতাই এই বুলিও কয় যে ৰিগিং হ'লে অকল চামগুৰিত কিয় অন্য চাৰিটা সমষ্টিৰ কথাও ওলাব লাগিছিল। যদিহে ৰিগিং হোৱাৰ অভিযোগ সঁচা, তেতিয়া হ'লে ন্যায়লয় আছে, নিৰ্বাচন আয়োগ আছে। বিধায়কগৰাকীয়ে তাত অভিযোগ দিবলৈ কয় কংগ্ৰেছক। পাঁচোটা সমষ্টিতে বিজেপিৰ বিজয় নিশ্চিত বুলিও দাবী কৰে বিধায়কগৰাকীয়ে। কমলপুৰ সমষ্টিৰ দগাঁৱৰ হাইস্কুলৰ আন্তঃগাঁথনি উন্নয়নৰ আধাৰশিলা স্থাপন কৰি বিধায়ক দিগন্ত কলিতাই সমষ্টিটোৰ অন্যান্য উন্নয়নৰ সমান্তৰালভাৱে শৈক্ষিক আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লোৱা পদক্ষেপৰ শলাগ লয়। দগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৭ কোটি ৩৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলৈ লোৱা বিদ্যালয় গৃহৰ শিলান্যাস কাৰ্যসূচীৰ পিছত অনুষ্ঠিত মুকলি সভাত বিধায়কগৰাকীয়ে বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য নিৰীক্ষণ কৰিবলৈ ৰাইজক আহ্বান জনায়। পংকজ কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানত কমলপুৰৰ ৰাজহ চক্ৰ বিষয়া বিক্ৰমজিত বৰা, বিশিষ্ট চিকিৎসক ডাঃ দণ্ডেশ্বৰ ডেকা, অধ্যক্ষ পবিত্ৰ কুমাৰ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মুনিন্দ্ৰ নাৰায়ণ দত্ত, সমাজসেৱক ৰমেশ শইকীয়া, উপেন ডেকাকে প্ৰমুখ্য কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# লাখপতি বাইদেউ আচঁনিৰ অধীনত ভাৰতীয় ষ্টেট বেংকৰ বিশেষ পদক্ষেপ

**ই-সংবাদ, শুৱালকুছি, ২২ নৱেম্বৰঃ** ৰাজ্য চৰকাৰৰ লাখপতি বাইদেউ আঁচনিৰ অধীনত লাখপতি বাইদেউৰ বাবে বিশেষ উদ্যোগ গ্ৰহণ কৰিছে ভাৰতীয় ষ্টেট বেংকে। ভাৰতীয় ষ্টেট বেংকৰ ক্ষেত্ৰীয় ব্যৱসায়িক কাৰ্যালয় গুৱাহাটী গ্ৰাম্যৰ উদ্যোগত এই বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়। গ্ৰাম্য অঞ্চলৰ আত্মসহায়ক গোটৰ ১৮ গৰাকী সদস্যক লাখপতি আঁচনিৰ অধীনত প্ৰশিক্ষণ প্ৰদান কৰি ব্যক্তিগতভাৱে ১ লাখ টকাকৈ খণ প্ৰদান কৰে। ইয়াৰ জৰিয়তে আত্মাসহায়ক গোটৰ সদস্যসকলে ব্যক্তিগতভাৱে আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল হৈ নিজৰ লগতে পৰিয়ালকো যাতে অৰ্থনৈতিক দিশত আগবঢ়াই নিব পাৰে সেই উদ্দেশ্য প্ৰথম অৱস্থাত এই আঁচনিৰ অধীনত ১৮ গৰাকী আত্মাসহায়ক গোটৰ সদস্যক ব্যক্তিগতভাৱে ১ লাখ টকাকৈ ঋণ প্ৰদান কৰে। এই ক্ষেত্ৰত নাৰ্বাডৰ জৰিয়তে সদস্যসকলক অৰ্থনৈতিকভাৱে কেনেকৈ আত্মানিৰ্ভৰশীল হ'ব পাৰি তাৰো প্ৰশিক্ষণ প্ৰদান কৰা হয়। ভাৰতীয় ষ্টেট বেংকৰ ক্ষেত্ৰীয় ব্যৱসায়িক কাৰ্যালয় গুৱাহাটী গ্ৰাম্য কাৰ্যালয়ত আজি অনুষ্ঠিত হোৱা এখন সভাত লাখপতি আঁচনিৰ অধীনত ঋণ প্ৰদান কৰি ষ্টেট বেংক গুৱাহাটী ১ নং ক্ষেত্ৰীয় মহাপ্ৰবন্ধক অগ্ৰেশ কুমাৰ ঝাই লাখপতি বাইদেউৰ হিতাধিকাৰী সদস্যসকলৰ সৈতে মত বিনিময় কৰি মহিলাসকলক অৰ্থনৈতিক দিশত আগবাঢ়ি যাবলৈ উৎসাহিত কৰে। আনহাতে, সভাত নাৰ্বাডৰ উত্তৰ পূব মণ্ডল মুখ্য মহাপ্ৰবন্ধক লোকেন দাসে ৰাজ্য চৰকাৰৰ এই আঁচনিখনে গ্ৰামীণ অঞ্চলৰ মহিলাসকলৰ জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ সক্ষম হ'ব বুলি মন্তব্য কৰে। অনুষ্ঠানত ভাৰতীয় ষ্টেট বেংকৰ কেইবাগৰাকীও বিষয়াৰ লগতে আত্মসহায়ক গোটৰ সদস্যসকল উপস্থিত থাকে।

# লটাৰী নিষিদ্ধ উত্তৰ কামৰূপৰ ৰাস মহোৎসৱত জুৱাৰ ৰমৰমীয়া বেহা

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২২ নৱেম্বৰঃ** উত্তৰ কামৰূপৰ বাইহাটা চাৰিআলি, চাংসাৰি, কমলপুৰ আৰু ৰঙিয়া আৰক্ষী থানাৰ অন্তৰ্গত ভিন্ন ঠাইত ৰাসৰ অছিলা লৈ জুৱা খেল অনুষ্ঠিত কৰাক লৈ বৃহত্তৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ দৰে বৃহত্তৰ উত্তৰ কামৰূপৰ অন্তৰ্গত মদন কামদেৱালয়ৰ সমীপৰ বৰমুলা, মটিয়া, পুঠিমাৰী, পানীটেমা, কলমণি, বিহদিয়া জাঁজিকোনাকে আদিকে ধৰি কেইবাঠাইতো আধ্যাত্মিক চিন্তাৰে পৰিপূৰ্ণ কাৰ্যসূচীৰে চলিছে ৰাস মহোৎসৱ। এই অঞ্চলত ৰাস মহোৎসৱৰ গইনা লৈয়ে চলিছে কিছু দুষ্টচক্ৰই একাংশ ৰাস মহোৎসৱ উপযাপন সমিতিৰ একাংশ বিষয়ববীয়াৰ জ্ঞাত সাৰে জুৱা চলিছে বুলি অভিযোগ উত্থাপিত হৈছে। যি ব্যাপক চৰ্চাৰ বিষয় হৈ পৰিছে সচেতন মহলত। তদুপৰি এনে ক্ষেত্ৰত স্থানীয় তথা জিলা আৰক্ষীৰ গ্ৰহণ কৰাৰ নিষ্ক্ৰিয় ভূমিকাও কোনো কাৰণতে সন্দেহৰ উৰ্ধত নহয় বুলি একাংশ লোকে অভিযোগ কৰিছে। এই ৰাসস্থলীসমূহত আধ্যাত্মিক চিন্তাধাৰাৰে ভক্তপ্ৰাণ ৰাইজৰ বিশাল সমাগম দেখিবলৈ পোৱা গৈছে যদিও ৰাতিটোৰ ভিতৰতে লাখপতি হোৱাৰ সপোনেৰে একাংশ ব্যক্তিয়ে ৰাসৰ অছিলা লৈ ৰাসস্থলীৰ পৰা কিছু নিলগত পতা ধাণ্ডি-মুণ্ডি, তিন পাট্টিৰ জুৱা খেলকে ধৰি ভিন্ন ৰকমৰ জুৱা খেলত নিমগ্ন হৈ পৰি সৰ্বশেষত একাংশ জুৱাৰী কঙালো হৈ পৰিছে। ইয়াকে লৈ সামাজিক মাধ্যমৰ লগতে সচেতন মহলৰ মাজত সৰৰ চৰ্চা হোৱা পৰিলক্ষিত হৈছে। আৰক্ষীৰ প্ৰশাসনৰ উৰ্ধতম মহলক এই ক্ষেত্ৰত সঠিক পদক্ষেপ গ্ৰহণ কৰাৰো দাবী উত্থাপন কৰিছে স্থানীয় ৰাইজে।

# পোৱামক্কা দৰ্গাহৰ নিৰ্বাচনক লৈ সংবাদমেল

**ই-সংবাদ, হাজো, ২২ নৱেম্বৰঃ** হাজোৰ ঐতিহাসিক পোৱামক্কা দৰ্গাহ শ্বৰীফৰ খাদিমকে ধৰি পৰিচালনা সমিতিৰ কাৰ্যকাল অন্ত পৰাৰ লগে লগে নতুন কমিটী গঠন কৰাৰ বাবে অহা ৭ ডিচেম্বৰত অনুষ্ঠিত হ'ব নিৰ্বাচন। হাজো ৰাজহ চক্ৰ বিষয়া আফ্ৰিন হুছেইনে আজি দিনৰ এঘাৰ বজাত হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত এক সংবাদমেল যোগে ঘোষণা কৰে এই কথা। পোৱামক্কা দৰ্গাহ পৰিচালনা সমিতিৰ এজন খাদিম আৰু দহগৰাকীকৈ সদস্যৰ বাবে অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ মনোনয়ন পত্ৰ অহা ২৫ নৱেম্বৰলৈ সংগ্ৰহ কৰিব পাৰিব। মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব ২৬ নৱেম্বৰত। আনহাতে, ২৭ নৱেম্বৰৰ ভিতৰত যিসকলে বিচাৰে তেওঁলোকে মনোনয়ন পত্ৰ উঠাই ল'ব পাৰিব আৰু চূড়ান্ত বৈধ প্ৰাৰ্থীৰ তালিকা ২৮ নৱেম্বৰত ঘোষণা কৰা হ'ব। নিৰ্বাচন অহা ৭ ডিচেম্বৰত পুৱা ৭ বজাৰ পৰা আবেলি ৪ বজালৈ অনুষ্ঠিত হ'ব আৰু অহা ৯ ডিচেম্বৰৰ পুৱা ৮ বজাৰ পৰা ভোট গণনা অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত মুঠ ২৮ টা ভোট গ্ৰহণ কেন্দ্ৰৰ বিপৰীতে ৩২৭২০ গৰাকী ভোটাৰে ভোটদান কৰিব। নতুনকৈ প্ৰকাশ হোৱা ভোটাৰ তালিকা আজি প্ৰকাশ কৰাৰ লগতে নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় সম্পূৰ্ণ সাজু বুলি জনায় হাজো ৰাজহ চক্ৰ বিষয়া আফ্ৰিন হুছেইনে।

# কলগাছিয়াৰ শিক্ষকৰ বিৰুদ্ধে পাঠদানত অনিয়মৰ অভিযোগ

**ই-সংবাদ বিশেষ, কলগাছিয়া ২২ নৱেম্বৰঃ** বৰপেটা জিলাৰ ৰূপসী প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত দক্ষিণ কলগাছিয়া বাউৰপাৰ প্ৰাথমিক বিদ্যালয়ত পাঠদানৰ ক্ষেত্ৰত শিক্ষকৰ বিৰুদ্ধে চৰম অৰাজকতা সৃষ্টি হোৱাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, বিদ্যালয়খনত অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে দুজন শিক্ষক আছে যদিও প্ৰধান শিক্ষয়িত্ৰী বিজুলী মজুমদাৰৰ অনিয়মীয়া উপস্থিতিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত অন্ধকাৰৰ পিনে গতি কৰিছে। বিদ্যালয়ত পলমকৈ অহা এগৰাকী শিক্ষয়িত্ৰীয়ে সাংবাদিকক কয় যে মোৰ ভৰিৰ বিষ থকা বাবে লেট হৈছে। মই ৰেগুলাৰ নাহো বুলিও মন্তব্য কৰে শিক্ষয়িত্ৰীগৰাকীয়ে। ৰূপসী প্ৰাথমিক শিক্ষা খণ্ডৰ শিক্ষা বিষয়া মিজানুৰ ৰহমান এইক্ষেত্ৰত কুম্ভকৰ্ণ নিদ্ৰাত থকাৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যালয়খনত বিশুদ্ধ খোৱা পানীৰ অভাৱ আৰু বিদ্যালয়খনৰ চৌদিশৰ পৰিৱেশ কদৰ্যময় হোৱা বুলি অভিযোগ উঠিছে। সচেতন মহলে শিক্ষামন্ত্ৰীৰ দৃষ্টি কামনা কৰিছে।

**২ ডিচেম্বৰৰ পৰা ১৬ ডিচেম্বৰলৈ চলিব পযেকীয়া বিশেষ কাৰ্যসূচী**

# ডিব্ৰুগড় জিলাত কুষ্ঠৰোগ নিবাৰণৰ চিনাক্তকৰণ পযেক

**ই-সংবাদ, ডিব্ৰুগড়, ২২ নৱেম্বৰঃ** ৰাজ্যৰ অনান্য ঠাইৰ লগতে ডিব্ৰুগড় জিলাতো কুষ্ঠৰোগ চিনাক্তকৰণ আৰু সজাগতাৰ কাৰণে অহা ২ ডিচেম্বৰ পৰা ১৬ডিচেম্বৰলৈ এক পযেকীয়া কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলি ডিব্ৰুগড় জিলা কুষ্ঠৰোগৰ মুখ্য বিষয়া ডা০ ৰাণী চুতীয়া হুছেইনে জানিবলৈ দিয়ে ।এই উদ্দেশ্যে ভাৰত চৰকাৰৰ কুষ্ঠৰোগ নিৰ্মূলকৰণ আঁচনিৰ নিৰ্দেশনা অনুযায়ী বিশেষকৈ ডিব্ৰুগড় জিলাতো এই পযেক পালন কৰাৰ উদ্দেশ্যে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে আৰু তাৰ বাবে সকলো ব্লকৰ আশাকৰ্মী সকলক প্ৰশিক্ষণ দি থকা হৈছে। যিহেতু ডিব্ৰুগড় জিলাত এই ৰোগৰ প্ৰাদুৰ্ভাৱ বেছি আৰু বহুতো ৰোগী এতিয়াও ধৰা নপৰা কৈ আছে, সেয়েহে প্ৰশিক্ষণপ্ৰাপ্ত আশাকৰ্মী সকলে ঘৰে ঘৰে গৈ সকলো লোকক বিনামূলীয়াকৈ পৰীক্ষা কৰি চিনাক্তকৰণ কৰিব ।ইতিমধ্যে ডিব্ৰুগড় জিলাত যথেষ্ট সংখ্যক কুষ্ঠৰোগীৰ সংক্ৰমণ ধৰা পৰিছে বুলি জিলা কুষ্ঠ ৰোগ বিভাগৰ মুখ্য বিষয়া ডাঃ ৰাণী চুতীয়া হুছেইনে জানিবলৈ দিয়ে লগতে দুই বছৰ বয়সৰ ওপৰৰ সকলো সন্দেহজনক ৰোগীক ঘৰে ঘৰে গৈ পৰীক্ষা কৰা হব বুলিও তেওঁ জানিবলৈ দিয়ে। ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগে এই অভিযানত ৰাইজক সৰ্বতো প্ৰকাৰে সহযোগিতা কৰিবলৈ আহ্বান জনায়। এই আঁচনিৰ লগত জড়িত অনান্য বিষয়া সকল হৈছে যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ৰাজীৱ বৰুৱা ,মুখ্য বিষয়া ডাঃ ৰাণী চুতীয়া হুছেইন লগতে জিলাৰ কুষ্ঠ ৰোগ বিভাগৰ কৰ্মকৰ্তা সকল উক্ত অনুষ্ঠানটি সাফল্য মণ্ডিতহৈ উঠিব বুলি ডিব্ৰুগড় জিলা কুষ্ঠৰোগ শাখাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে জানিবলৈ দিয়ে।



# মাৰোৱাৰী যুৱ মঞ্চৰ উদ্যোগত বীৰ লাচিত দিৱস

**গুৱাহাটী, ২২ নৱেম্বৰ:** আজি মাৰোৱাৰী যুৱ মঞ্চ (মহিলা শাখা)ৰ কামাখ্যা শাখাৰ উদ্যোগত ফাঁচিবজাৰৰ মাজমজিয়াৰ স্থায়ী কাৰ্যালয়ত বিয়লি ৫ বজাৰ পৰা "বীৰ লাচিত দিৱস" উপলক্ষে আলোচনাচক্ৰ আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হৈ যায়। আৰম্ভণিতে মহা পৰাক্ৰমী বীৰ, অসম তথা ভাৰত গৌৰৱ লাচিত বৰফুকনৰ স্থিৰচিত্ৰত বন্তি প্ৰজ্বলন আৰু পুস্পাৰ্ঘ অৰ্পণ কৰা হয়। ইয়াৰ পিছত মঞ্চৰ উপাধ্যক্ষ কবিতা আগৰৱালাৰ সভাপতিত্বত অনুষ্ঠিত আলোচনাচক্ৰত অসম সাহিত্য সভাৰ প্ৰাক্তন কোষাধ্যক্ষ, বিশিষ্ট কবি কিশোৰ কুমাৰ জৈনে মুখ্য আলোচক হিচাপে অংশ লৈ কয়- "বৰ্তমান সময়ত আৰু লাচিতৰ দৰে বীৰৰ প্ৰয়োজন আহি পৰিছে। অসমৰ বাবে, ভাৰতৰ বাবে। আমি প্ৰতিজনে লাচিত বৰফুকনৰ আদৰ্শ মানিব লাগে।" আন এগৰাকী প্ৰধান অতিথি সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য, সাংবাদিক, লেখক দীপক শৰ্মাই কয়- "মাৰোৱাৰী মহিলাৰ অতুলনীয় ব্যক্তিত্বত অভিভূত। লাচিত দিৱস উদযাপনৰ বাবে আগতিয়াকৈ ওলাই আহিছে। ওপজা ভূমিক ভাল পোৱাটো আমাৰ নৈতিক দায়িত্ব আৰু কৰ্তব্য। হাড়ে হিমজুৰে মাৰোৱাৰী মহিলাসকলে যি উদ্যোগৰে লাচিত দিৱস উদযাপনৰ বাবে ওলাই আহিছে সেইয়া ইতিহাসৰ পাতত সোণালী আখৰেৰে লিখা থাকিব।" মীনা জৈন আৰু সীমা শৰ্মাই আত ধৰা অনুষ্ঠানত মঞ্চৰ সচিব অনুসূয়া শৰ্মা, কোষাধ্যক্ষ খুশবো মোৰ, কৃত্তিকা আগৰৱালা, প্ৰাক্তন সভাপতি চলাহকাৰ মীনা পদ্দাৰ, প্ৰেমলতা সিংঘানিয়া, কিৰণ আগৰৱালা, সাৰিকা আগৰৱালা, অৰুণা আগৰৱালা, জয়া পাৰিক, মমতা শেঠ্ৰী, নিহা জৈন, নিষ্ঠা পদ্দাৰ, অনিশা আগৰৱালা, ডনবস্ক' হাইস্কুল, পানবজাৰৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ কুশাল জৈন, হেপী চাইল্ড স্কুল, চেৰাপভাঠিৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ শ্ৰেয়ান শৰ্মাই লাচিত বৰফুকনৰ নেতৃত্ব, বীৰত্ব, ব্যক্তিত্ব আৰু অতুলনীয় দেশপ্ৰেমৰ ওপৰত বক্তব্য দাঙি ধৰে। সভাত মাৰোৱাৰী হাস্পতালৰ কৰ্মচাৰী প্ৰণিতা তালুকদাৰে এটি দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰে ।লাচিত দিৱসৰ স'তে সংগতি ৰাখি আয়োজন কৰা ৰছনা প্ৰতিযোগিতাত ১ম ৰীতু আগৰৱালা, ২য় মধু খাখৰীয়া, ৩য় কৃত্তিকা আগৰৱালা আৰু উদ্গনি বঁটা খুশিকা জৈনক প্ৰদান কৰা হয়।

# ভদ্ৰেশ্বৰ ডেকাৰ 'বালিমাহী'উন্মোচন



**ই -সংবাদ শুৱালকুছি , ২২ নৱেম্বৰ :** কামৰূপ জিলাৰ কৃষি গ্ৰাম বংশৰ অঞ্চলৰ বিশিষ্ট লেখক তথা ৰামদিয়া বিনন্দিচন্দ্ৰ মেধি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী অধ্যাপক ভদ্ৰেশ্বৰ ডেকাই তেওঁৰ ৭০ সংখ্যক জন্ম দিনত তেওঁৰ এখনি কাব্য গ্ৰন্থ উন্মোচনেৰে জন্ম দিনটো উদযাপন কৰে ।এই উদ্দেশ্য বংশৰ জল্টি দাস হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমেশ চন্দ্ৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত হয় এখনি গ্ৰন্থ উন্মোচনী সভা ।বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিক মদনমোহন দাসে ভদ্ৰেশ্বৰ ডেকাৰ "বালিমাহী" নামৰ কাব্য গ্ৰন্থ উন্মোচন কৰে ।অতি গাম্ভীৰ্যপূৰ্ণ সভাত গ্ৰন্থ খন উন্মোচন কৰি তেওঁ কয় যে বালিমাহী এবিধ সৰু চৰাই, নামটোৰে সৰুৰ পৰা ডাঙৰ হোৱা, প্ৰাথমিকৰ পৰা উচ্চ পৰ্য্যায়লৈ যোৱা মানসিকতা ফুটাই তুলিছে বুলি মন্তব্য কৰে । উল্লেখ্য লেখক ভদ্ৰেশ্বৰ ডেকা অসম আন্দোলনৰো এগৰাকী সেনানী আছিল ।বহু বছৰ ধৰি ৰামদিয়া বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক হিচাপে বিনাবেতনে কৰ্মৰত হৈ আছিল । পিছত ৰামদিয়া বিনন্দি চন্দ্ৰ মেধী মহাবিদ্যালয় খন চৰকাৰীকৰণ হোৱাৰ কিছু বছৰৰ পিছতে মহাবিদ্যালয় খনৰ পৰা অসমীয়া বিভাগৰ সহযোগী অধ্যয়পক হিচাপে অৱসৰ গ্ৰহণ কৰে ।গ্ৰন্থ উন্মোচনী সভাত শুৱালকুছি গনেশ দাস হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা জ্যেষ্ঠ সাংবাদিক যোগেন্দ্ৰনাথ ভৰালী, বিনোদ ভাগৱতী, প্ৰভাত বৈশ্য, দেবেন্দ্ৰনাথ কাকতি , মকবুল হুছেইন , ধৰ্মেশ্বৰ ঠাকুৰীয়া , ড: ধ্ৰুৱজ্যোতি মালাকাৰ , মনোমোহন বৈশ্য, তিলোমা ঠাকুৰীয়া ডেকা আৰু ভুপেন কলিতাই লেখকৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত বক্তব্য প্ৰদান কৰে ।উত্তৰ কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰতিচ্ছবি তথা জাতীয় চেতনা চৈতন্যবোধৰ পৰিচয় দাঙি ধৰা "কামৰূপা" কবিতা টি সুন্দৰ ভাৱে পাঠ কৰে শিক্ষক ইন্দ্ৰ কান্ত বৈশ্য ই ।গ্ৰন্থ উন্মোচনী সভাৰ আগেয়ে অসমীয়া ভাষা সাহিত্যৰ পুৰোধা ব্যক্তি স্বনামধন্য অসম হিতৈষী আনন্দ ৰাম ঢেকিয়াল ফুকনৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ, বন্তি প্ৰজ্বলন কৰে লেখক ভদ্ৰেশ্বৰ ডেকাই। শিক্ষক ইন্দ্ৰকান্ত বৈশ্যই আতঁধৰা অনুষ্ঠানত শলাগ ৰ শৰাই আগবঢ়ায় "বালিমাহী" কাব্য গ্ৰন্থৰ লেখক ভদ্ৰেশ্বৰ ডেকাই। সভাত অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিত আছিল ।

# প্ৰধানমন্ত্ৰী স্ব:নিধি আঁচনিৰ হিতাধিকাৰীৰ সৈতে তিনিচুকীয়া জিলা প্ৰশাসনৰ মত বিনিময়




**ই-সংবাদ, ডুমডুমা, ২২ নৱেম্বৰ:** ‘ প্ৰধানমন্ত্ৰী স্ব:নিধি ’ আঁচনি লাভ কৰা তিনিচুকীয়া, মাকুম আৰু ডিগবৈ পৌৰ এলেকাৰ পদ-পথৰ ব্যৱসায়ীসকলৰ সৈতে এক মত-বিনিময় অনুষ্ঠান কালি তিনিচুকীয়া চহৰৰ বৰদলৈ নগৰস্থিত তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। তিনিচুকীয়া পৌৰসভাৰ নৱনিৰ্বাচিত পৌৰপতি পুলক চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস, মাকুম পৌৰসভাৰ পৌৰপতি বিপাশা বৰা, ডিগবৈ পৌৰসভাৰ পৌৰপতি সুদীপ দত্ত চৌধুৰী, তিনিচুকীয়া পৌৰসভাৰ কাৰ্য্যবাহী বিষয়া ধৰ্মিষ্ঠা দত্ত, মাকুম পৌৰসভাৰ কাৰ্য্যবাহী বিষয়া ৰক্তিম গগৈ, তিনিচুকীয়া পৌৰসভাৰ উপ-পৌৰপতি ইন্দিৰা ৰয়, ৰাষ্ট্ৰীয় নগৰ জীৱিকা অভিযানৰ তিনিচুকীয়া নগৰ প্ৰকল্প প্ৰবন্ধক পাৰ্থপ্ৰতীম ভঁৰালী আৰু বিভিন্ন বেংক প্ৰতিষ্ঠানৰ বিষয়-ববীয়াসকল উপস্থিত থাকে। অনুষ্ঠানটত পদ-পথৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলে ‘ প্ৰধানমন্ত্ৰী স্ব:নিধি ' আঁচনিৰ দ্বাৰা কিদৰে লাভৱাম্বিত হৈছে তথা উক্ত আঁচনিৰ বাবে আৱেদন আৰু ৰাজসাহায্য লাভ কৰাৰ ক্ষেত্ৰত তেওঁলোকে সন্মুখীন হোৱা সমস্যাৰ সন্দৰ্ভত আলোচনা কৰা হ'য় । বিভিন্ন বেংক তথা বিত্তীয় প্ৰতিষ্ঠানৰ বিষয়াবৰ্গই আৱেদনৰ ক্ষেত্ৰত হোৱা সমস্যাসমূহৰ সমাধানৰ বাবে তেওঁলোকক দিহা-পৰামৰ্শ আগবঢ়ায়।

# কৃষ্ণ ভক্তিৰে মুখৰিত ঐতিহাসিক কুজি সত্ৰত কেলিগোপাল নাট প্ৰদৰ্শন

**ই-সংবাদ, বেবেজীয়া, ২২ নৱেম্বৰঃ** ৰাজ্যৰ সৰ্বত্ৰে এতিয়া ৰাস মহোৎসৱৰ উখল-মাখল পৰিৱেশ । ৰাস মহোৎসৱক কেন্দ্ৰ কৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে অব্যাহত আছে পাৰভগা আনন্দ-উছাহ। ব্যতিক্ৰম নহয় মধ্য অসমৰ নগাঁও জিলাও। জিলাখনৰ গাঁৱে-ভূঞে আজিও বিয়পি আছে ৰাস মহোৎসৱৰ উৎসাহ-উদ্দীপনা । প্ৰান্তে প্ৰান্তে উদযাপিত কৰা হৈছে শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ । ইয়াৰ অংশহিচাপে বৃহস্পতিবাৰে নিশা বেছ উলহ-মালহেৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ জন্মভূমি বটদ্ৰৱাৰ দক্ষিণ দিশত অৱস্থিত শ্ৰী শ্ৰীকুজি সত্ৰত ভগৱান শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ লগতসংগতি ৰাখি 'কেলিগোপাল' নাটখনি প্ৰদৰ্শন কৰা হয় । যাক লৈ সন্ধিয়াৰে পৰা ৰাস মহোৎসৱৰ বাকৰিত বিভিন্ন প্ৰান্তৰ পৰা অহা দৰ্শকৰ সমাগমেৰে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয় । কুজি সত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামীয়ে শুভাৰম্ভ কৰা নাটখনিত সত্ৰৰ যুৱক-যুৱতীসকলে অভিনয় কৰে। ফলস্বৰূপে কৃষ্ণ বন্দনাত মুখৰিত হৈ পৰে ঐতিহ্যমণ্ডিত কুজি সত্ৰ । মনোৰঞ্জন গোস্বামীৰ সুদক্ষ পৰিচালনাত নাটখনে উপস্থিত সকলোকে আপ্লুত কৰে।

# কপাহেৰা আঞ্চলিক মাধ্যমিক বিদ্যালয়ৰ নৱাগত আদৰণি আৰু সাংস্কৃতিক অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২২ নৱেম্বৰঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তত অৱস্থিত কপাহেৰা আঞ্চলিক মাধ্যমিক বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলৰ সম্বৰ্ধনা, নৱাগত আদৰণি, সাংস্কৃতিক অনুষ্ঠান আৰু বঁটা বিতৰণী সভা বৃহস্পতিবাৰে অনুষ্ঠিত হয় । তদুপলক্ষে সমাজকৰ্মী বাবুল চন্দ্ৰ ফুকনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বিভাৰানী বৰাই । সহকাৰী শিক্ষক বিজয় বৰদলৈয়ে আঁত ধৰা সভাখনিত মুখ্য অতিথি ৰূপে মৰিগাঁও জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া উপস্থিত থাকি বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ লগতে নৃত্য-গীত, খেল-ধেমালি আদিৰ দক্ষতা বৃদ্ধিৰ কাৰ্যসূচী লোৱাটো দৰকাৰী । নতুন শিক্ষা নীতিৰ আধাৰত ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি যাবলৈ এনেকুৱা পৰিৱেশৰ খুবেই প্ৰয়োজনীয় বুলি মন্তব্য কৰে । সভাৰ মাজতে বিগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে উত্তৰ প্ৰদেশৰ বৰেলিত অনুষ্ঠিত সৰ্বভাৰতীয় স্কুল ভলীবল প্ৰতিযোগিতাত অসমৰ হৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা কপাহেৰা আঞ্চলিক মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী পাপৰি বৰদলৈক সম্বৰ্দ্ধনা জনোৱা হয়। তদুপৰি বিভিন্ন শিতানত শ্ৰেষ্ঠত্ব অৰ্জন কৰা ছাত্ৰ ছাত্ৰী সকলকো পুৰস্কৃত কৰা হয় । পল্লৱ বৰদলৈ, নিমিষা ফাংচু, পৰিস্মৃতা ডেকাকে আদি কৰি কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠানৰ সমাহাৰে অনুষ্ঠিত হোৱা সভাখনিত অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ প্ৰধান উপস্থিত থাকে।

# গোলকগঞ্জত ই-ৰিক্সা চোৰক লৈ প্ৰতিক্ৰিয়া

**ই-সংবাদ, গোলকগঞ্জ, ২২ নৱেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত হৰিৰহাটত ই-ৰিক্সা চুৰিত জড়িতক দুমাহে আটক কৰিবলৈ সক্ষম নোহোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, যোৱা পাঁচ ছেপ্টেম্বৰৰ সন্ধিয়া পুৰ্ণি গাঁৱৰ আব্দুল্লা সেখৰ ই-ৰিক্সা এখন হৰিৰহাট বজাৰৰ পৰা চুৰি হয়। সকলো খবৰ লৈ জানিব পাৰি পিছদিনা এই সন্দৰ্ভত বৰুণডাঙা গাঁৱৰ মসিকুল হক, বাপ্পী হক আৰু লাকী সেখৰ নামত গোলকগঞ্জ থানাত এখন এজাহাৰ দিয়ে। গোচৰ পঞ্জীয়ন কৰিয়ে দায়িত্ব সামৰে আৰক্ষীয়ে। উপায়হীন হৈ ই-ৰিক্সাৰ গৰাকীয়ে সহায় লয় স্থানীয় যুৱকৰ। ই-ৰিক্সা উলিয়াই দিয়াৰ নামত বন্দোবস্তীও কৰে। ই-ৰিক্সাখন বতুৱাতলীৰ সাহিদুল হক(ছেকেন্দাৰ)ক বাপ্পী হক নামৰ অভিযুক্তজনে বিক্ৰী কৰা বুলি সুংসূত্ৰ উলিয়ায়। ছেকেন্দাৰক কালি এজন পৰ্টেল সাংবাদিকৰ হতুৱাই দাবী ধমকি দিয়ে। ছেকেন্দাৰে ফোন কৰি বাপ্পীক মাতি আনি গোলকগঞ্জ আৰক্ষীক ধৰাই দিয়ে। কিন্তু আশ্চৰ্যজনকভাৱে আৰক্ষীৰ কবলত নপৰে চুৰি ই-ৰিক্সা ক্ৰয় কৰা ছেকেন্দাৰ। ইপিনে, বাপ্পী হকে সাংবাদিকৰ সন্মুখত সদৰি কৰা মতে, সিদিনা লাকী সেখ, মসিকুল ৰহমান আৰু তামাৰহাটৰ মফিজুদ্দিন সেখ ই-ৰিক্সাখন চুৰি কৰি আনিছিল বাপ্পী হকৰ ওচৰত। বাপ্পী বিক্ৰী কৰি দিছিল বতুৱাতলীৰ ছেকেন্দাৰক। ছেকেন্দাৰে একে গাঁৱৰে ভাৰী নামৰ এজনক দিয়াত তেওঁ আকৌ পশ্চিমবংগত বিক্ৰী কৰি দিয়ে। ৰহস্যজনক ঘটনা হ'ল, ছেকেন্দাৰৰ সহায়ত বাপ্পীক আটক কৰা হয় যদিও কিয় এৰি দিয়া হয় ছেকেন্দাৰক। আনহাতে, বাপ্পীক ওৰেটো দিন নিশা লকআপত ৰাখি পুৱা মুকলি কৰি দিয়া ঘটনাই ৰহস্য ঘনীভূত কৰি তুলিছে। সমগ্ৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ যোৰহাটৰ বৰুৱা চাৰিআলিত ফ্লাই অভাৰ নিৰ্মাণ নকৰিবলৈ দাবী গৌৰৱৰ

**ই-সংবাদ, ২২ নৱেম্বৰঃ** আজি এক পত্ৰ যোগে যোৰহাট নগৰৰ বৰুৱা চাৰিআলি-ভোগদৈ দলং সংযোগী উৰণীয়া সেতুঁ নিৰ্মাণৰ সিদ্ধান্তক পুনৰ বিবেচনা কৰিবলৈ হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে। সেঁতু নিৰ্মাণ হ'লে মানুহৰ জীৱন-জীৱিকা ধ্বংস হোৱাৰ লগতে ওলোটাই যান-জঁট সৃষ্টি হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীক পত্ৰযোগে উল্লেখ কৰিছে গগৈয়ে। গৌৰৱ গগৈয়ে পত্ৰ যোগে যোৰহাট নগৰৰ বৰুৱা চাৰিআলি আৰু ভোগদৈ দলং সংযোগী এটি ৰোডত উচ্চ উৰণীয়া সেঁতু নিৰ্মাণৰ প্ৰস্তাৱক পুনৰ চিন্তা কৰাৰ প্ৰয়োজন বুলি কয়। উৰণীয়া সেঁতু নিৰ্মাণ কৰিলে দোকানীসকলৰ স্থানচ্যুত হ'ব বুলি দাবী কৰি গৌৰৱ গগৈয়ে কয় যে যাৰ ফলত তেওঁলোকৰ ব্যৱসায়িক চৌহদ সংকুচিত হৈ পৰিব। ফলস্বৰূপে তেওঁলোকৰ আয়ৰ প্ৰধান উৎস হেৰুৱাব। তদুপৰি, প্ৰস্তাৱিত উৰণীয়া সেঁতুৰ তলত কেইবাটাও বেংক, চৰকাৰী আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ কাৰ্যালয় আৰু উপাসনাস্থলী এই পথত থকাৰ বাবে জনসাধাৰণৰ যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লাগিব। নিৰ্মাণৰ পিছত স্থানীয় জনতাক এই পথটো ব্যৱহাৰ কৰিবলৈ বাধ্য কৰালে তীব্ৰ যান-জঁট আৰু আহুকলীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। যাৰ ফলত দৈনিক যাতায়ত কৰা লোকসকলৰ বাবে জীৱন যাত্ৰাত ব্যাঘাত জন্মাব আৰু বিভ্ৰান্তিৰ সৃষ্টি হ'ব। গগৈয়ে উদ্বেগ প্ৰকাশ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক প্ৰকল্পটো স্থগিত ৰাখি সকলোৰে সৈতে আলোচনা কৰিবলৈ আৰু ডিজাইনৰ পুনৰ মূল্যায়নৰ আহ্বান জনায়।


উইকেট দখলৰ পিছত অষ্ট্ৰেলিয়াৰ হেজেলউড


উইকেট দখলৰ পিছত যশপ্ৰীত বুমৰাহৰ উল্লাস প্ৰদৰ্শন, পাৰ্থত শুকুৰবাৰে

## অষ্ট্ৰেলিয়াৰ বলাৰক অতিক্ৰমি আগবাঢ়িল বুমৰাহ

# পাৰ্থত ভাৰতীয় বেগী বলাৰৰ সংহাৰ ৰূপ

**পাৰ্থ, ২২ নৱেম্বৰঃ** অষ্ট্ৰেলিয়াই প্ৰথম দিনৰ আৰম্ভণি যিদৰে কৰিছিল, শেষ কিন্তু তেনেকৈ কৰিব নোৱাৰিলে। নতুন পিটছত কেংগাৰু বাহিনীৰ বেগী বলাৰসকলৰ আক্ৰমণকো চেৰ পেলাই যাবলৈ সমৰ্থ হয় ভাৰতীয় পেচাৰসকলে। ফলত পাৰ্থ টেষ্টৰ প্ৰথম দিনটোৰ শেষত অষ্ট্ৰেলিয়াই ৭ উইকেট হেৰুৱাই মাছো ৬৭ ৰানহে সংগ্ৰহ কৰে। ঘৰুৱা দলটো এতিয়াও ৮৩ ৰানত পিছ পৰি আছে। আশা কৰা ধৰণেই পাৰ্থৰ পিটছত পেচাৰসক শক্তিশালী হৈ উঠে। মেচৰ আৰম্ভণিতে অষ্ট্ৰেলিয়াৰ বেচ আক্ৰমণত দিশহাৰা হৈ পৰে ভাৰতীয় বেটাৰসকল। ফলত টীম ইণ্ডিয়াই নিজৰ প্ৰথম ইনিংছট মাত্ৰ ১৫০ ৰানতে অল আউট হয়। দলটোৰ চাৰিজন বেটছমেনেহে দুটা অংকৰ সংখ্যা অতিক্ৰম কৰিবলৈ সক্ষম হয়। অষ্ট্ৰেলিয়াৰ বলাৰসকলে যিদৰে ভাৰতীয় বেটাৰসকলক ঢোকে ঢোকে পানী খুৱালে তাতকৈয়ো অধিক বেছিকৈ পানী খুৱাবলৈ সমৰ্থ হয় ভাৰতীয় বলাৰসকল। অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছ আৰম্ভ কৰাৰ লগে লগে ভাৰতীয় বলিং আক্ৰমণে সংহাৰী ৰূপ ধাৰণ কৰিবলৈ লয়। অধিনায়ক যশপ্ৰীত বুমৰাহ এজনৰ পিছত এজনকৈ অষ্ট্ৰেলিয়ান বেটাৰক পেভিলিয়নৰ বাট দেখুৱাবলৈ লয়। নাথান মেকছুইনিৰ উইকেটৰ পতন ঘটাৰ পিছতে কেংগাৰু বাহিনীৰ ইনিংছ তাছপাতৰ ঘৰৰ দৰে খহিবলৈ আৰম্ভ কৰে। ভাৰতীয় বলিং আক্ৰমণক ষ্টিভ স্মিথৰ দৰে সাহসী আৰু আক্ৰমণাত্মক বেটাৰেও এটাও ৰান নকৰাকৈয়ে খেলপথাৰৰ পৰা উভতিবলগীয়াত পৰে। ভাৰতৰ হৈ বুমৰাহে ৪টা, মহম্মদ ছিৰাজে ২টা আৰু হৰ্ষিতা ৰাণাই এটা উইকেট হস্তগত কৰে। দিনান্তত এলেক্স কেৰীয়ে ১৯ মিশ্বেল ষ্টাৰ্কে ৬ ৰান কৰি ক্ৰিজত আছে। কাইলৈ সোনকালে ৩টা উইকেট দখলৰ লক্ষ্যৰে খেলিব ভাৰতে।

# কাশ্মীৰত ৰাষ্ট্ৰীয় পেনচাক চিলাটত ১৭ স্বৰ্ণসহ ৪০টাকৈ পদক জয় অসমৰ

**ই-সংবাদ, চাবুৱা, ২২ নৱেম্বৰঃ** ইণ্ডিয়ান পেনচাক চিলাট ফেডাৰেশ্যনৰ উদ্যোগত কাশ্মীৰৰ শ্ৰীনগৰস্থিত শ্বেৰ-ই-কাশ্মীৰ ইনড'ৰ ষ্টেডিয়ামত ১৬-২২ নৱেম্বৰলৈকে সাতদিনীয়াকৈ অতি আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পেনচাক চিলাট প্ৰতিযোগিতা, ২০২৪ৰ আজি সামৰণি পৰে। উক্ত প্ৰতিযোগিতাত অসমৰ ২২ গৰাকী পুৰুষ আৰু মহিলা খেলুৱৈয়ে টেগুিং, টুংগল, গাণ্ডা, ৰেগু আৰু ক্ৰিয়েটিভ ছ'ল' বিভাগত প্ৰতিযোগিতা আগবঢ়াই ১৭টা স্বৰ্ণ, ১৫টা ৰূপ আাৰু ৮ টা ব্ৰঞ্জৰ পদকসহ মুঠ ৪০টা পদক জয় কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনে। দেশৰ ৩৬ ৰাজ্যৰ মুঠ ১২৫৬ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰা ৰাষ্ট্ৰীয় পেন্চাক চিলাট প্ৰতিযোগিতাখনিত অসমৰ হৈ গোলাঘাটৰ অচ্যুমান বৰচেতিয়াই দুটা স্বৰ্ণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক, অনন্যা শইকীয়াই দুটা স্বৰ্ণ, এটা ৰূপ, বদ্ৰীয়া গগৈয়ে তিনিটাকৈ সোণ, এটা ৰূপ আৰু দুটা ব্ৰঞ্জ, অচ্যুত বড়োৱে দুটা ৰূপ, প্ৰেৰণা হাজৰিকাই এটা স্বৰ্ণ, ৰিম্পী গগৈয়ে দুটা স্বৰ্ণ আৰু এটা ব্ৰঞ্জ, মণিকা বড়োৱে এটা ব্ৰঞ্জ, প্ৰিঞ্চজ্যোতি চুতীয়াই দুটা ৰূপ আৰু দুটা ব্ৰঞ্জ, তিতাবৰৰ বিটিচা শইকীয়াই দুটা স্বৰ্ণ, উদিপ্ত হাজৰিকাই দুটাকে ৰূপ, ৰাজ দাসে এটা ৰূপ, বৈষ্ণৱী কচাৰীয়ে এটা ৰূপ আৰু এটা ব্ৰঞ্জ, গোৱালপাৰা জিলাৰ দিবাকৰ ৰাভাই সোণ, ওদালগুৰিৰ জেউতি বড়োৱে সোণ, ধেমাজি জিলাৰ লিজা চুতীয়াই সোণ, মহন কলিতাই এটা সোণ আৰু এটা ৰূপ, নাৰায়ণ বিশ্বকৰ্মাই সোণ, কৃষ্ণ কান্ত টায়েই ৰূপ, বিষ্ণুমায়া চেত্ৰীয়ে ৰূপ আৰু তনজ্যোতি সোণোৱালে ৰূপৰ পদক লাভ কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি